সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক
# ৰঙিলী বাৰ্তা
Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩২ বছৰ,১১ সংখ্যা,৩০ ফাগুন, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 11 Date of Publication- 15 March 2026 Rs. 10.00/-

## কংগ্ৰেছে কৰিব এইবাৰ পৰাজয়ৰ চেঞ্চুৰীঃ প্ৰধানমন্ত্ৰী মোদী



ৰঙিলী বাৰ্তাসেৱা- দুদিনীয়া ভ্ৰমণসূচীৰে শুক্ৰবাৰে অসমত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শনিবাৰে শিলচৰত জনসভা সম্বোধন কৰে । শিলচৰৰ অম্বিকাপুৰত তিনিটা অভিলাষী প্ৰকল্পৰ ভূমিপূজন উপলক্ষে আয়োজিত বিশাল জনসভাত জনতাক উদ্দেশ্যি দিয়া ভাষণত কংগ্ৰেছ চৰকাৰক তীব্ৰ সমালোচনা কৰা দেখা যায় প্ৰধানমন্ত্ৰীগৰাকীয়ে । দেশৰ প্ৰতিখন ৰাজ্যই আজি কংগ্ৰেছক শিক্ষা দি আছে। এটা নিৰ্বাচনৰ পিছত আনটোত পৰাজিত হৈছে কংগ্ৰেছ। এতিয়া অদূৰ ভৱিষ্যতে কংগ্ৰেছে নিজৰ পৰাজয়ৰ ইতিহাসত শতক অৰ্জন কৰিবলৈ ওলাইছে। পৰাজয়ৰ হতাশাৰে ভৰা কংগ্ৰেছে খোদ ফ্ৰন্ট মুকলি কৰিছে দেশৰ বিৰুদ্ধে। দেশৰ বদনাম কৰাত সম্প্ৰতি ব্যস্ত কংগ্ৰেছ নেতৃত্ব। প্ৰধান বিৰোধী দল কংগ্ৰেছৰ প্ৰতি এই তিৰ্যক মন্তব্য কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। নিজ ভাষণত তেওঁ শেহতীয়াকৈ নতুন দিল্লীত অনুষ্ঠিত কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনৰ প্ৰসংগ উত্থাপন কৰি উপস্থিত জনতাক উদ্দেশ্যি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে নতুন দিল্লীত বিশাল এআই সন্মিলন অনুষ্ঠিত হোৱা আপোনালোকে দেখিছে। সমগ্ৰ বিশ্বই যেতিয়া কৃত্ৰিম বুদ্ধিমত্তাক লৈ অতি কৌতূহলী হৈ আছিল, তেতিয়াই নতুন দিল্লীত এআই সন্মিলন সফলতাৰে অনুষ্ঠিত কৰি নতুন আশাৰ সঞ্চাৰ সৃষ্টি কৰা হৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ নেতা, প্ৰযুক্তি কোম্পানী আৰু খণ্ডৰ প্ৰতিনিধি আহিছিল নতুন দিল্লীলৈ। কিন্তু এই সন্মিলনৰ বদনাম কৰিবলৈ কংগ্ৰেছে। কাপোৰ ফালি প্ৰতিবাদ সাব্যস্ত কৰে। এতিয়া কংগ্ৰেছৰ হাতত নিজৰ কাপোৰ ফালি পেলোৱাৰ বাদে আন কোনো বিকল্প নাই। কংগ্ৰেছৰ এনে অশ্লীল আৰু কুৎচিত বিক্ষোভক সমগ্ৰ দেশে সমালোচনা কৰিছে। কিন্তু এই কাৰ্যক নিজৰ প্ৰাপ্তি বুলি দাবী কৰি দেশক লজ্জানত কৰাসকলক প্ৰশংসা কৰিছে কংগ্ৰেছৰ ৰাজ পৰিয়ালে। ৰাষ্ট্ৰৰ প্ৰতি শত্ৰুতা থকা কংগ্ৰেছে কোনো ৰাজ্যৰে উপকাৰ সাধন কৰিব নোৱাৰে। কেতিয়াও ভাবিব নোৱাৰে অসমৰ যুৱ প্ৰজন্মৰ মংগলৰ কথাও। অসমৰ যুৱক-যুৱতীসকলক হিংসা আৰু সন্ত্ৰাসবাদৰ কুচক্ৰত আবদ্ধ কৰি ৰখা বুলি কংগ্ৰেছৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। তেওঁৰ মতে, ( দুই পৃষ্ঠাত চাওক)

## বৰ্তমানৰ সময়ছোৱা হৈছে অসমৰ বাবে স্বৰ্ণল কালঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- দুদিনীয়া ভ্ৰমণসূচীৰে অসম অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্তিম দিনা শিলচৰৰ অম্বিকাপুৰত সৰ্বমুঠ ২৩,৫৫২ কোটি টকাৰ তিনিটা গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিমূলক প্ৰকল্পৰ ভূমিপূজন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিলাষী প্ৰকল্পৰ ভূমিপূজন কৰা উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। তেওঁ এই দিনটোক বৰাক উপত্যকাৰ ( দুই পৃষ্ঠাত চাওক)

## শিলচৰত ২৩, ৫৫১ কোটিৰ অভিলাষী প্ৰকল্পৰ ভূমিপূজন প্ৰধানমন্ত্ৰীৰ




ৰঙিলী বাৰ্তাসেৱা- দুদিনীয়া ভ্ৰমণসূচীৰে শুকুৰবাৰে গুৱাহাটীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শনিবাৰে বৰাক উপত্যকাৰ পথ যাতায়াত ক্ষেত্ৰত নতুন ইতিহাসেৰে কেইবাটাও অভিলাষী প্ৰকল্পৰ ভূমিপূজন কৰে। প্ৰায় ২৩, ৫৫১ কোটি টকা ব্যয়সাপেক্ষে ৰূপায়ণ হ'বলগীয়া এই গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিমূলক প্ৰকল্পকেইটাই স্বাভাৱিকতে আশাৰ বতৰা কঢ়িয়াই আনিছে। মূলতঃ বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজৰ দূৰত্ব আৰু অধিক হ্ৰাস কৰাৰ দিশত শনিবাৰে লোৱা হয় এক ঐতিহাসিক পদক্ষেপ। এই উপলক্ষে শিলচৰ বাইপাছৰ অম্বিকাপুৰত আয়োজিত এখন বিশাল জনসভাক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য কৰে। ভাষণৰ আৰম্ভণিতে বঙালীত বৰাক উপত্যকাবাসীক শ্ৰদ্ধা জ্ঞাপন কৰি তেওঁ কয় যে শিক্ষা-দক্ষতা বিকাশ-স্বাস্থ্যসেৱাই হৈছে বিজেপিৰ ডাল ইঞ্জিন চৰকাৰৰ মুখ্য অগ্ৰাধিকাৰ। আজি অসমে শিক্ষা আৰু স্বাস্থ্যসেৱাৰ এক প্ৰধান কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। ইয়াৰ পৰা যথেষ্ট লাভৱান্বিত হৈছে বৰাক উপত্যকা। শিলচৰক বৰাক উপত্যকাৰ প্ৰৱেশদ্বাৰ হিচাপে জনা যায়। এইখন এনে এখন ঠাই, য'ত ইতিহাস-ভাষা-সংস্কৃতি- ( তিনিপৃষ্ঠাত চাওক)

## দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ



ৰঙিলী বাৰ্তাসেৱা- দুদিনীয়া ভ্ৰমণসূচীৰে শনিবাৰে বিয়লি গুৱাহাটীত উপস্থিত হয় কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। গুৱাহাটীৰ বিমানবন্দৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আদৰণি জনায়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটীত উপস্থিত হোৱাৰ পাছতে কইনাধৰাত ৰাজ্যিক বিজেপিৰ শীৰ্ষ নেতৃত্বৰ সৈতে অনুষ্ঠিত কৰে কেইবালানিও গুৰুত্বপূৰ্ণ বৈঠক। আনহাতে আজি প্ৰায় ডেৰ লক্ষাধিক যুৱ প্ৰজন্মৰ ভোটাৰৰ উপস্থিতিত খানাপাৰা পশু চিকিৎসা ( দহ পৃষ্ঠাত চাওক)

## ১৮ মাৰ্চত প্ৰকাশ পাব বিজেপিৰ প্ৰাৰ্থী তালিকা

ৰঙিলী বাৰ্তাসেৱা- সমাগত ২০২৬ৰ বিধানসভা নিৰ্বাচনলৈ সম্পূৰ্ণৰূপে সাজু হৈছে শাসকীয় বিজেপি দল। প্ৰাৰ্থী তালিকাও প্ৰায় সম্পূৰ্ণ হৈছে বিজেপি দলটোৰ। অহা ১৮ মাৰ্চত বিজেপিৰ প্ৰাৰ্থী তালিকা প্ৰকাশ পাব। শনিবাৰে শিলচৰত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত বিজেপিৰ প্ৰাৰ্থী তালিকা প্ৰকাশক লৈ চলি থকা বিভিন্ন চৰ্চাৰ মাজতে অহা ১৮ মাৰ্চত দলৰ প্ৰাৰ্থী তালিকা প্ৰকাশ ( তিনিপৃষ্ঠাত চাওক)

# গুৰুদক্ষিণা প'ৰ্টেল মুকলি কৰিব শিক্ষামন্ত্ৰীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- বিধানসভা নিৰ্বাচনৰ পূৰ্বে পদ প্ৰাদেশিকীকৰণৰ পৰা যিবোৰ শিক্ষানুষ্ঠান তথা শিক্ষক বাদ পৰিছে তাৰ বাবে ৰাজ্য চৰকাৰে আগবঢ়াব গুৰুদক্ষিণা। শিক্ষাগুৰুসকলক গুৰুদক্ষিণা দিয়াৰ বাবে শিক্ষা বিভাগে আৰম্ভ কৰিছে প্ৰক্ৰিয়া। ইয়াৰ বাবে আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আনুষ্ঠানিকভাৱে মুকলি কৰিব গুৰুদক্ষিণা প'ৰ্টেল। উল্লেখ্য যে প্ৰাদেশিকীকৰণ আইনৰ আওতালৈ নহা ৰাজ্যৰ বিদ্যালয় সম্পূৰ্ণৰূপে বিলুপ্ত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে শেহতীয়াকৈ বাজেটত গুৰুদক্ষিণা শীৰ্যক এখন আঁচনি ঘোষণা কৰিছিল। বিশেষকৈ অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানত বছৰ বছৰ ধৰি বিনাবেতনে শিক্ষাদান কৰি অহা শিক্ষকসকলক মৰ্যাদাসহকাৰে বিদায় দিয়াৰ লক্ষ্যৰে গ্ৰহণ কৰা এই গুৰুদক্ষিণা আঁচনিৰ জৰিয়তে শিক্ষকসকলক প্ৰদান কৰা হ'ব আৰ্থিক সাহায্য। উল্লেখ্য যে প্ৰাদেশীকৃত আইন সংশোধনৰ জৰিয়তে ইতিমধ্যে ৰাজ্যৰ অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানৰ প্ৰাদেশিকীকৰণৰ প্ৰক্ৰিয়া অনলাইনযোগে আৰম্ভ হৈছে। যোৱা ১৮ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা পিএমএছ প'ৰ্টেলত এই পৰ্যন্ত ৮, ৪৪২খন শিক্ষানুষ্ঠানৰ নাম পঞ্জীয়ন হৈছে। পঞ্জীয়ন হোৱা এই শিক্ষানুষ্ঠানৰ ভিতৰত ৪, ৯২৮খন শিক্ষানুষ্ঠানৰ ২৮, ৫৩৬ গৰাকী শিক্ষক-কৰ্মচাৰীৰ নাম পঞ্জীয়ন কৰা হৈছে। ইয়াৰ বিপৰীতে,, পুৰচ্ছুখন শিক্ষানুষ্ঠানৰ শিক্ষক-কৰ্মচাৰীয়ে নাম পঞ্জীয়ন কৰিবলৈ সক্ষম হোৱা নাই। নিৰ্ধাৰিত সময়ত যিসকল শিক্ষক-কৰ্মচাৰীৰ নাম পঞ্জীয়ন হ'ব, সেইসকলক সংশোধিত পদ প্ৰাদেশিকীকৰণ আইন অনুসৰি লাভ কৰিব দৰমহা। কিন্তু যিসকলে পঞ্জীয়ন কৰিবলৈ সক্ষম নহ'ব অথবা অপ্ৰাদেশীকৃত হৈ থাকিব সেইসকল শিক্ষক-কৰ্মচাৰীক এককালীন সাহায্যৰে এই ব্যৱস্থাৰ পৰা বিদায় দিয়া হ'ব। ইয়াৰ বাবে শিক্ষামন্ত্ৰী ( তিনিপৃষ্ঠাত চাওক)

# বৰ্তমানৰ সময়ছোৱা হৈছে

লগতে সমগ্ৰ অসমৰ বাবে এটা গুৰুত্বপূৰ্ণ দিন ৰূপে অভিহিত কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। মেঘালয়ৰ উমিয়ামৰ সমীপৱৰ্তী মাওলিংপুঙৰ পৰা পাঁচগ্ৰামলৈ নিৰ্মাণ কৰিবলগীয়া হাইস্পীড কৰিড'ৰটোৱে গুৱাহাটী-শিলচৰৰ মাজৰ দূৰত্ব বৰ্তমানৰ ২৯৫ কিলোমিটাৰৰ পৰা ২৫২ কিলোমিটাৰলৈ হ্ৰাস কৰিব বুলি উল্লেখ কৰি তেওঁ কয় যে এই হাইস্পীড কৰিড'ৰটোৰ বাবে গুৱাহাটী আৰু শিলচৰৰ মাজত যাত্ৰাৰ সময় বৰ্তমানৰ চাৰে আঠ ঘণ্টাৰ পৰা পাঁচ ঘণ্টালৈ হ্ৰাস পাব। এই পথটো নিৰ্মাণ কৰিবলৈ কোনেও দাবী উত্থাপন কৰা নাছিল। কিন্তু শিলচৰৰ পৰা হাফলং হৈ গুৱাহাটীলৈ থকা বৰ্তমানৰ পথটোৱে প্ৰতিবছৰে বিভিন্ন কাৰণত সঘনে যোগাযোগ ব্যাহত হৈ পৰাৰ কথা অৱগত হোৱাৰ পাছতে প্ৰধানমন্ত্ৰী মোদীয়ে হাইস্পীড কৰিড'ৰটো নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰিছে। অসমে মাত্ৰ এটা বছৰৰ ভিতৰতে লাভ কৰিছে ২২, ৮৬৪ কোটি টকা ব্যয়সাপেক্ষ শিলচৰ কৰিড'ৰৰ উপৰি ৮ হাজাৰ কোটি টকাৰ গুৱাহাটী ৰিং ৰোড, কাজিৰঙাৰ প্ৰায় ৬ হাজাৰ কোটিৰ এলিভেটেড কৰিড'ৰ আৰু নুমলীগড়-গহপুৰ সংযোগী ব্ৰহ্মপুত্ৰ নৈৰ তলেৰে প্ৰায় ৩০ হাজাৰ কোটিৰে নিৰ্মাণ হ'বলগীয়া সুৰংগ পথ। অসমে পূৰ্বতে কেতিয়াও ইমান বৃহৎ প্ৰকল্প একেলগে লাভ কৰা নাছিল। প্ৰধানমন্ত্ৰী মোদীৰ বাবেই এয়া সম্ভৱ হৈছে। ডলু বিমানবন্দৰ নিৰ্মাণৰ দিশটো পৰিৱেশ সম্পৰ্কীয় অনুমতি ৰাজ্য চৰকাৰে লাভ কৰাৰ পাছত ইয়াৰ কামো শীঘ্ৰেই আৰম্ভ হ'ব বুলি তেওঁ সদৰী কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মতে, এসময়ত সমদৃষ্টি লাভ নকৰাক লৈ থকা বৰাকবাসীৰ আক্ষেপৰ অৱসান ঘটাই প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত বৰ্তমানৰ চৰকাৰে বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকা আৰু পাহাৰ-ভৈয়াম সকলো অঞ্চলতে সমদৃষ্টিৰে আগবঢ়াই নি উন্নয়ন আৰু বিকাশৰ কাৰ্যসূচী আৰম্ভকৰিছে। তেওঁ কয় যে ৫৬৫ কোটি টকা ব্যয়েৰে ৩০৬নং ৰাষ্ট্ৰীয় ঘাইপথত কেপিটেল পইণ্টৰ সমীপৰ ট্ৰাংক ৰোডৰ পৰা ৰংগিৰখাৰি পইন্টলৈ উৰণ সেতুখন নিৰ্মাণ হৈ উঠিলে শিলচৰ নগৰৰ দীৰ্ঘদিনীয়া যান-জটৰ সমস্যা লাঘৱ হ'ব। বৰাক উপত্যকাত নতুন চিকিৎসা মহাবিদ্যালয়ৰ লগতে শিলচৰ চিকিৎসা মহাবিদ্যালয়ত ছুপাৰস্পেচিয়েলিটী ব্লক নিৰ্মাণৰত অৱস্থাত আছে। সেইদৰে শ্ৰীভূমি জিলাৰ পাথাৰকান্দিত কৃষি মহাবিদ্যালয় এখনো নিৰ্মাণ কৰিবলৈ লোৱা হৈছে ১২২ কোটি টকা ব্যয়সাপেক্ষে। বৰ্তমানৰ সময়ছোৱা হৈছে অসমৰ বাবে স্বৰ্ণিল কাল। এই সময়ছোৱাতেই ৰাজ্যখনত শান্তি স্থাপনৰ পৰা আৰম্ভ কৰি বিকাশ তথা উদ্যোগীকৰণৰ কাম-কাজেৰে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত অসম চৰকাৰে এক বুনিয়াদ গঢ়িবলৈ সক্ষম হৈছে। ইফালে মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰাক উপত্যকাৰ উন্নয়নৰ যাত্ৰাক অধিক ত্বৰান্বিত কৰি ১৩৫ কোটি টকা ব্যয়সাপেক্ষে শিলচৰত নিৰ্মাণ কৰা অসম সচিবালয়, বৰাক উপত্যকা উদ্বোধন কৰে। সচিবালয় ভৱন উদ্বোধন কৰা উপলক্ষে আয়োজিত অনুষ্ঠানত বক্তব্য আগবঢ়াই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰাক উপত্যকাৰ বিকাশৰ বাবে ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। অঞ্চলটোৰ বিকাশমুখী যাত্ৰাক আজিৰ দিনটোত ঐতিহাসিক ৰূপে চিৰদিন খোদিত হৈ ৰ'ব। দীৰ্ঘদিন ধৰি অসমৰ দৰে বৈচিত্ৰ্যপূৰ্ণ এখন ৰাজ্যত সিদ্ধান্ত গ্ৰহণ আৰু উন্নয়নৰ কেন্দ্ৰবিন্দু মূলতঃ গুৱাহাটীতেই সীমাবদ্ধ হৈ আছিল। কিন্তু বৰ্তমানৰ ৰাজ্য চৰকাৰৰ কাৰ্যকালত এই ধাৰণা খণ্ডন কৰি অসমৰ প্ৰতিটো প্ৰান্তৰ বিকাশ আৰু প্ৰশাসনৰ ক্ষেত্ৰত সমভাৱে আগবঢ়াই নিয়াটো অন্যতম মুখ্য অগ্ৰাধিকাৰ হৈ পৰিছিল। কোকৰাঝাৰত অসম বিধানসভাৰ অধিৱেশন অনুষ্ঠিত কৰা হৈছিল। সেইদৰে ডিব্ৰুগড়ত নতুন সচিবালয় স্থাপন কৰাৰ লগতে অব্যাহত আছে অসম বিধানসভা চৌহদ নিৰ্মাণৰ কাম। আজি শিলচৰত নতুন সচিবালয় ভৱন উদ্বোধন কৰি সৌভাগ্য লাভ কৰা বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মতে, এই ভৱনসমূহ কেৱল সাধাৰণ ভৱন নহয়, ইয়াৰ জৰিয়তে প্ৰশাসনক অধিক বিকেন্দ্ৰীকৰণ কৰি বহু ক্ষমতা জিলা স্তৰত ন্যস্ত কৰা হৈছে। গঠন কৰা হৈছে নতুন সমজিলা। ফলশ্ৰুতিত সাধাৰণ নাগৰিকে চৰকাৰী সেৱা লাভ কৰিবলৈ দূৰ-দূৰণি ভ্ৰমণ কৰি জিলা-ৰাজ্যৰ মুখ্য কাৰ্যালয়লৈ যাবলগীয়া হোৱা নাই। চৰকাৰৰ মূলমন্ত্ৰ হৈছে- চৰকাৰ মানুহৰ ওচৰলৈ যাব, মানুহ চৰকাৰৰ ওচৰলৈ নাযায়। শিলচৰৰ সচিবালয়ে ৰাজ্য প্ৰশাসনক বৰাক উপত্যকাৰ তিনিওখন জিলাৰ ৰাইজৰ অধিক কাষ চপাই আনিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰখলা বিধানসভা সমষ্টিৰ শিলকুৰীত প্ৰায় ১৫.৬ কোটি টকা ব্যয়েৰে ৮ বিঘা ৩ কঠা ১৮ লেচা ভূমিৰ চৌহদত নিৰ্মাণ কৰা শিলচৰ সন্মিলন কেন্দ্ৰটো উদ্বোধন কৰে। এই সন্মিলন কেন্দ্ৰটোত ১৪২খন আসনযুক্ত এটা সভাকক্ষৰ লগতে অতিথিৰ বাবে বিশেষ কোঠা নিৰ্মাণ কৰা হৈছে। ইয়াৰ উপৰি একোটাকৈ প্ৰৱেশলবী, প্ৰেছিডেন্সিয়েল লাউঞ্জ , ভিআইপি লাউঞ্জ , মিডিয়া কক্ষ আৰু ৮০খন বাহন পাৰ্কিং কৰিব পৰাৰ সুবিধাও ইয়াত সন্নিৱিষ্ট থাকিব। অনুষ্ঠানত বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, পশুপালন মন্ত্ৰী কৃষ্ণেন্দু পাল, সাংসদ পৰিমল শুক্লবৈদ্য, কণাড পুৰকায়স্থ, অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটাকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# কংগ্ৰেছৰ দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ

ৰঙিলী বাৰ্ত্তাসেৱা- জল্পনা-কল্পনাৰ ওৰ পেলাই আগন্তুক নিৰ্বাচনৰ বাবে হাইকমাণ্ডৰ অনুমোদন ক্ৰমে কংগ্ৰেছে দ্বিতীয়খন প্ৰাৰ্থী তালিকা ঘোষণা কৰে। এই তালিকাত ২৩জন দলীয় প্ৰাৰ্থীৰ নাম সন্নিৱিষ্ট হোৱাৰ বিপৰীতে আন ১৫খন আসন মিত্ৰদলৰ নামত ৰাখিছে। ঘোষিত তালিকা অনুসৰি গোলকগঞ্জত কাৰ্তিক চন্দ্ৰ ৰয়, বীৰছিং-জৰুৱাত ৱাজেদ আলী চৌধুৰী, বিলাসীপাৰাত অমৃত বাদশাহ, মানকাচৰত মহিবুৰ ৰহমান, গোৱালপাৰা পূবত আবুল কালাম ৰছিদ আলম, দুধনৈ (এছটি) ত কিশোৰ কুমাৰ ব্ৰহ্মা, হোজাইত ঝিলী চৌধুৰী, ঢেকীয়াজুলিত বাদশাহ ওৰাং, ৰঙাপৰাত কাৰ্তিক চন্দ্ৰ কুৰ্মী, গহপুৰত ডাঃ শংকৰজ্যোতি কুটুম, ধেমাজি (এছটি)ত শৈলেন সোণোৱাল, সৃজনগ্ৰামত নুৰুল ইছলাম, মন্দিয়াত আব্দুল খালেক, চমৰীয়াত ৰেকিবুদ্দিন আহমেদ, ৰঙিয়াত প্ৰাণজিৎ চৌধুৰী, ডিমৰীয়া (এছটি) ত কিশোৰী কুমাৰ বৰুৱা, নিউ গুৱাহাটীত শান্তনু বৰুৱা, মঙলদৈত ৰিজুমণি তালুকদাৰ, তিনিচুকীয়াত ডেভিদ ফুকন, টিংখাঙত বিপুল গগৈ, দেৰগাঁৱত সাগৰিকা বড়া, ধলাই (এছচি)ত ধ্ৰুৱজ্যোতি পুৰকায়স্থ আৰু কৰিমগঞ্জ উত্তৰত আমিনুল ৰছিদ চৌধুৰীক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। লক্ষণীয়ভাৱে মিত্ৰদলৰ নামত ৰখা সমষ্টিকেইটা হৈছে- ভৱানীপুৰ-সৰভোগ, বজালী, পলাশবাৰী, গুৱাহাটী চেণ্ট্ৰেল, গোৰেশ্বৰ, মৰিগাঁও, বড়মপুৰ, বিন্নাকান্দি, বজালী (এছচি), শদিয়া, ডিব্ৰুগড়, খোৱাং, ( তিনিপৃষ্ঠাত চাওক)

# কংগ্ৰেছে কৰিব এইবাৰ

বিভাজন-শাসন নীতিৰ বাবে কংগ্ৰেছে অসমক পৰীক্ষাগাৰলৈ পৰ্যবসিত কৰিছে। আজি অসমৰ যুৱক-যুৱতীসকলে এক আকাশলংঘী সুযোগৰ মুকলি আকাশ লাভ কৰা বুলি মন্তব্য কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰতৰ ছেমিকণ্ডাক্টৰ খণ্ডত অসম অগ্ৰগণী ৰাজ্য হিচাপে পৰিগণিত হৈছে। ইয়াত গঢ় লৈ উঠিছে পৰৱৰ্তী প্ৰজন্মৰ বাবে এটা পৰিৱেশতন্ত্ৰ আৰু প্ৰতিভাৰ কেন্দ্ৰ। অসমত আইআইটি আৰু আইআইএমৰ দৰে প্ৰতিষ্ঠান স্থাপন কৰা হৈছে। এক শক্তিশালী নেটৱৰ্ক স্থাপন কৰা হৈছে চিকিৎসা মহাবিদ্যালয়-এইমছ-কৰ্কট চিকিৎসালয়ৰ। শান্তি আৰু প্ৰগতিৰ এই নতুন যুগ বহু ত্যাগ আৰু প্ৰচেষ্টাৰ মাজেৰে আহিছে। সেয়েহে এতিয়া অসমক পুনৰ অতীতলৈ ঠেলি দিবলৈ চেষ্টা কৰা যিকোনো শক্তিক আমি উপযুক্ত প্ৰত্যুত্তৰ দিব লাগিব। স্বাধীনতাৰ পিছত বহু দশক ধৰি কংগ্ৰেছ চৰকাৰে উত্তৰ-পূবক দিল্লীৰ অন্তৰৰ পৰা আঁতৰাই ৰাখিছিল বুলি তেওঁ মন্তব্য কৰে। এই প্ৰসংগত প্ৰধানমন্ত্ৰী মোদীৰ ভাষ্য আছিল এনেধৰণৰ- কংগ্ৰেছে উত্তৰ-পূৰ্বাঞ্চলক একপ্ৰকাৰ পাহৰি গৈছিল। কিন্তু বিজেপিৰ ডাব্‌ল ইঞ্জিন চৰকাৰে উত্তৰ-পূবক এনেদৰে সংযোগ কৰিছে, সেয়া সৰ্বত্ৰ চৰ্চিত। আজি উত্তৰ-পূৰ্বাঞ্চল ভাৰতৰ এক্ট-ইষ্ট পলিচীৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। এখন সাঁকোত পৰিণত হৈছে দক্ষিণ-পূব এছিয়াৰ সৈতে ভাৰতক সংযোগ কৰাৰ ক্ষেত্ৰতো। উন্নয়নৰ দৌৰত পিছপৰি থকাসকলক অগ্ৰাধিকাৰ দিয়াটোৱেই বিজেপিৰ মূল মন্তব্য বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ বিপৰীতে কংগ্ৰেছ চৰকাৰে সীমান্ত অঞ্চলত দেশৰ শেষৰখন গাঁওৰূপে গণ্য কৰিছিল বুলি বৰাক উপত্যকাৰ পৰাই প্ৰধান বিৰোধী দলটোৰ বিৰুদ্ধে ৰণহুংকাৰ দিয়া প্ৰধানমন্ত্ৰী মোদীৰ বক্তব্য- আমি সীমান্তৰ গাঁওবোৰক দেশৰ প্ৰথম গাঁও হিচাপে গণ্য কৰোঁ। সেয়েহে সীমান্ত অঞ্চলৰ উন্নয়নৰ বাবে কাছাৰ জিলাত পৰৱৰ্তী পৰ্যায়ৰ ভাইব্ৰেন্ট ভিলেজ প্ৰগ্ৰেম আৰম্ভ কৰা হৈছে। যাৰ ফলত নিশ্চিত হৈছে বৰাক উপত্যকাৰ বহু গাঁৱৰ উন্নতি সাধন। সম্প্ৰতি সমগ্ৰ বিশ্বতে যুদ্ধসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ প্ৰসংগয়ো তেওঁৰ ভাষণত স্থান লাভ কৰে। এই বিষয়তো কংগ্ৰেছক তীক্ষ্ণ সমালোচনা কৰি তেওঁ কয় যে সকলোৱে প্ৰতিদিনে যুদ্ধৰ ভয়াৱহতাৰ সাক্ষী হৈ আছে। যুদ্ধই সৃষ্টি কৰা পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ উপৰি নাগৰিকসকলে সন্মুখীন হোৱা কষ্টসমূহ ন্যূনতম কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছে আমাৰ চৰকাৰে। আমাৰ প্ৰচেষ্টা দেশৰ নাগৰিকৰ ওপৰত যুদ্ধৰ প্ৰভাৱ যথাসম্ভৱ কম কৰা। এই সময়ত কংগ্ৰেছে দায়িত্বশীল ৰাজনৈতিক দলৰ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছিল যদিও নিজ স্বাৰ্থৰ বাবেই এই গুৰুত্বপূৰ্ণ কামত তেওঁলোক পুনৰ ব্যৰ্থ হৈছে। কংগ্ৰেছে দেশত আতংক সৃষ্টি কৰিবলৈ প্ৰচেষ্টা চলাইছে, যাতে দেশ বিপদত পৰে। অসম তথা দেশৰ বাবে কংগ্ৰেছৰ কোনো দৃষ্টিভংগী নাই বুলিও অভিযোগ উত্থাপন কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। যাৰ কাৰণে কংগ্ৰেছে উৰাবাতৰি-মিথ্যাচাৰ-প্ৰতাৰণাক অস্ত্ৰৰূপে ব্যৱহাৰ কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে তেওঁলোকে আভুৱা-ভাঁৰা ৰীল নিৰ্মাণৰ এটা উদ্যোগ গঢ়ি তুলিছে। ভাৰতৰ দ্ৰুত বিকাশ হজম কৰিব নোৱাৰা বিদেশী শক্তিৰ দুৰ্ভাগ্যজনকভাৱে হাতৰ পুতলা হৈ পৰিছে কংগ্ৰেছ। এনে অৱস্থাত অসমৰ প্ৰতিজন নাগৰিক তথা যুৱ প্ৰজন্মক কংগ্ৰেছৰ পৰা সতৰ্ক হৈ থাকিবলৈ তেওঁ আহ্বান জনায়।

# চাহ শ্ৰমিকক সেৱা জনাই ভূমিপট্টা প্ৰদান কৰিলে প্ৰধনমন্ত্ৰী মোদীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- এক ইতিহাস ৰচনা কৰি দুই শতিকাজোৰা প্ৰতাৰণাৰ অৱসান ঘটাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যৰ চাহ শ্ৰমিকসকলক ভূমিৰ পট্টা বিতৰণৰ শুভাৰম্ভ কৰিলে। গুৱাহাটীৰ বিষ্ণু-জ্যোতি আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত এক বিশাল অনুষ্ঠানত তিনিগৰাকী চাহ শ্ৰমিকক নিজ হাতে ভূমি পট্টা প্ৰদান কৰি প্ৰধানমন্ত্ৰী মোদীৰ মন্তব্য- অসমৰ চাহৰ লগত মোৰ এক অনন্য সম্পৰ্ক আছে। তেওঁ কয়- আজি অসমৰ চাহ বাগিচাত কাম কৰা প্ৰতিগৰাকী শ্ৰমিকৰ বাবে এক ঐতিহাসিক দিন। যাৰ কঠোৰ পৰিশ্ৰমৰ বাবেই অসমৰ পৰিচয়ে শক্তি পাইছে, যাৰ পৰিশ্ৰমেই অসমৰ চাহৰ সুগন্ধী সমগ্ৰ বিশ্বতেই ভাৰতকো পৰিচয় কৰাই দিছে। আজি সেইসকল চাহ শ্ৰমিকক এনডিএ চৰকাৰে সন্মানো দিছে আৰু সহায়ো আগবঢ়াইছে। কংগ্ৰেছৰ শাসনকালত চাহ বাগিচাৰ শ্ৰমিকসকল কিদৰে প্ৰতাৰিত হৈছিল তাক উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত চাহ শ্ৰমিকক সম্পূৰ্ণভাৱে গুৰুত্বহীন কৰি ৰখা হৈছিল। শ্ৰমিকসকলৰ ওচৰত নাছিল ভূমিৰ কোনো নথি-পত্ৰ। মই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ চৰকাৰখনক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই চৰকাৰখনে চাহ বাগিচাৰ সৈতে জড়িত শ্ৰমিকসকলৰ বাবে এক বৃহৎ উপকাৰ সাধন কৰিছে। আজি অসম চৰকাৰে দীৰ্ঘদিনীয়া এক অন্যায়ৰ অৱসান ঘটাবলৈ চেষ্টা কৰিছে। কংগ্ৰেছে চাহ বাগিচাৰ শ্ৰমিকক ভূমিপট্টা নিদি এক ঐতিহাসিক অন্যায় কৰিছিল। কংগ্ৰেছৰ এই ঐতিহাসিক অন্যায় বিজেপিয়ে অন্ত পেলাই চাহ শ্ৰমিকক ঘৰ, মাটি আৰু বিদ্যালয় প্ৰদান কৰিছে। আজি অসমৰ চাহ শ্ৰমিকসকলে নিজৰ ভূমিৰ পট্টা লাভ কৰিছে আৰু এই ভূমিতেই একোটাকৈ পকীঘৰ নিৰ্মাণ হোৱাৰ পথ খোল খাই পৰিছে। ইয়াৰ ফলত চাহ বাগিচাত থকা আমাৰ ভগ্নীসকলে বিশেষভাৱে উপকৃত হ'ব। মই বিচাৰোঁ, চাহ বাগিচাৰ শিশুসকলেও এক উন্নতমানৰ শিক্ষা লাভ কৰে আৰু আগুৱাই যায়। বিজেপি চৰকাৰে ইয়াৰ বাবে সকলোধৰণৰ সুবিধা প্ৰদান কৰিছে। যাৰ বাবে প্ৰতিখন চাহ বাগিচাৰ শ্ৰমিকে আজি ক'বলৈ আৰম্ভ কৰিছে- আকৌ এবাৰ বিজেপি চৰকাৰ। প্ৰধানমন্ত্ৰী মোদীয়ে কয়- চাহ বাগিচাৰ শ্ৰমিকসকলক সন্মান প্ৰদৰ্শন কৰি মই এক ঋণৰ পৰা হাত সাৰিছোঁ। তেওঁ চাহ শ্ৰমিকসকলক উদ্দেশ্যি কয়- আপোনালোকে ( দহ পৃষ্ঠাত চাওক)

# শিলচৰত ২৩, ৫৫১ কোটিৰ

উদ্যোগ একত্ৰিত হৈ অনন্য পৰিচয়ৰ সৃষ্টি হৈছে। ইয়াত বাংলা ভাষা কোৱা হয়। অসমীয়া প্ৰতিধ্বনিও শুনা যায়। আন আন জনজাতীয় পৰম্পৰাও প্ৰস্ফুটিত হয়। এই বৈচিত্ৰ্যিক শক্তি হিচাপে লৈ সকলোৱে অঞ্চলটোত ভাতৃত্ববোধ আৰু সম্প্ৰীতিৰ বিকশিত কৰিছে। এয়াই বৰাক উপত্যকাৰ অপৰিসীম শক্তি। ই কেৱল অসমকেই নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল আৰু পশ্চিমবংগকো সংযোগ কৰিছে। কিছু সময়ৰ পূৰ্বে বৰাক উপত্যকা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সংযোগৰ সৈতে জড়িত হাজাৰ হাজাৰ কোটি টকাৰ প্ৰকল্পৰ ভূমিপুজন কৰা হয়। পথ, ৰে'ল, কৃষি মহাবিদ্যালয়েই হওক, এনে প্ৰতিটো প্ৰকল্পই বৰাক উপত্যকাক উত্তৰ-পূৱৰ এক বৃহৎ পৰিবহণ-বাণিজ্যিক কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিব। ইয়াৰ দ্বাৰা যুবক-যুৱতীসকলৰ সৃষ্টি হ'ব অসংখ্য কৰ্মসংস্থাপন আৰু স্বনিয়োগ। বৰাক উপত্যকাক বাণিজ্য-ব্যৱসায়ৰ এটা প্ৰধান কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ আমি অক্লান্তভাৱে কাম কৰি আছোঁ আছোঁ। আজি ভূমিপূজন কৰা কৰা শ্বিলং-শিলচৰ হাইস্পীড কৰিড'ৰৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে এইটো কেৱল ঘাইপথ প্ৰকল্প নহয়, উত্তৰ-পূৱৰ জনসাধাৰণৰ বাবে দশক দশক ধৰি চলা অপেক্ষাৰো অন্ত পৰিল। এই কৰিড 'ৰে শিলচৰ, মিজোৰাম, মণিপুৰ আৰু ত্ৰিপুৰাক সংযোগ কৰিব। তদুপৰি বাংলাদেশ আৰু ম্যানমাৰ, তাৰো সিপাৰে দক্ষিণ-পূৱ এছিয়াৰ বিশাল বজাৰক স্পৰ্শ কৰিব। বৰাক উপত্যকাই আজি এক উজ্জ্বল ভৱিষ্যতৰ আধাৰশিলা স্থাপন কৰিছে। ইয়াৰ দ্বাৰা অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ কৃষক আৰু যুবক-যুৱতীসকল উপকৃত হ'ব। এনে উন্নত যোগাযোগৰ সৈতে অঞ্চলটো বিকশিত হ'লে উদ্যোগ প্ৰতিষ্ঠান বৃদ্ধি হোৱাৰ লগতে পৰ্যটনৰ বিকাশ সাধন হ'ব। সেইদৰে শিলচৰ টাউন উৰণ সেতুৰ ভূমিপুজন সন্দৰ্ভত তেওঁ কয় যে শিলচৰৰ যান-জটৰ বাবে সকলোৱে চিন্তিত। এতিয়া শিলচৰ উৰণ সেতুৱে এই সমস্যা দূৰ কৰিব। শিলচৰ চিকিৎসা মহাবিদ্যালয়, এনআইটি আৰু অসম বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এয়া এক ডাঙৰ সুবিধা। ই তেওঁলোকৰ যাতায়াতৰ মূল্যবান সময় ৰাহি কৰিব। বিজেপিৰ ডাব্‌ল ইঞ্জিন চৰকাৰে ৰে'ল সংযোগৰ ক্ষেত্ৰত ব্যাপক পৰিসৰত কাম কৰিছে বুলি তেওঁ মন্তব্য কৰে। বিশেষকৈ ৰে'লপথ বৈদ্যুতিকৰণ কৰাটো ডাঙৰ অগ্ৰাধিকাৰৰ বিষয় হিচাপে লোৱাৰ কথা উল্লেখ কৰি তেওঁ কয় যে এতিয়া অসমৰ ২, ৫০০ কিলোমিটাৰতকৈও অধিক ৰে'ল নেটৱৰ্ক বৈদ্যুতিকৰণ কৰা হৈছে। ফলত দ্ৰুতবেগী ৰে'ল চলাচল কৰিব পাৰিব। যিয়ে উপকৃত কৰিব বৰাক উপত্যকাৰ স্বচ্ছ পৰিৱেশকো। বৰাক উপত্যকাৰ কৃষক আৰু চাহ শ্ৰমিকসকলে অসমৰ উন্নয়নত উল্লেখযোগ্য অৱদান আগবঢ়োৱাৰ প্ৰসংগয়ো প্ৰধানমন্ত্ৰী মোদীৰ ভাষণত স্থান লাভ কৰে। তেওঁৰ মতে, বিজেপিৰ ডাব্‌ল ইঞ্জিন চৰকাৰে কৃষকৰ কল্যাণৰ বাবে ধাৰাবাহিকভাৱে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আছে। জনসভাখনত সমৱেত বৃহৎসংখ্যক জনতাক প্ৰত্যক্ষ কৰি অভিভূত হৈ পৰে প্ৰধানমন্ত্ৰী মোদী। যাৰ বাবে তেওঁ ভাষণৰ শেষত প্ৰত্যেককে কৃতজ্ঞতা তথা অভিনন্দন জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে শিলচৰত মেঘালয়ৰ উমিয়ামৰ মাওলিংখুঙৰ পৰা শিলচৰৰ পাচগ্ৰামলৈ নিৰ্মাণ কৰিবলগীয়া ১৬৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ ২২, ৮৬৪ কোটি টকাৰ হাইস্পীড কৰিড'ৰ, ৫৬৫ কোটি শিলচৰ টাউন উৰণ সেতু আৰু ১২২ কোটি টকা ব্যয়সাপেক্ষ পাথাৰকান্দি কৃষি মহাবিদ্যালয়ৰ ভূমিপুজন কৰে। উল্লেখ্য যে এই জনসভাখনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্য চৰকাৰৰ মন্ত্ৰী কৌশিক ৰায়, কৃষ্ণেন্দু পাল, সাংসদ পৰিমল শুক্লবৈদ্য, কণাড পুৰকায়স্থ, কৃপানাথ মাল্লা, দীপায়ন চক্ৰৱৰ্তী, বিজয় মালাকাৰ, কৰিমউদ্দিন বৰভুঞাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# অভি-নীল হত্যাকাণ্ডৰ শুনানি সম্পূৰ্ণ

ৰঙিলী বাৰ্ত্তাসেৱা- অভি-নীল হত্যাকাণ্ডৰ শুনানি সম্পূৰ্ণ। এই গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া সুদীৰ্ঘ সাত বছৰে নগাঁও আদালতত চলি আছিল। গোচৰীয়া পক্ষৰ চৰকাৰী অধিবক্তা জিয়াউৰ কামাৰে শুকুৰবাৰে আদালতত আচামীপক্ষৰ অধিবক্তাৰ সকলো যুক্তিৰ অতি সবলভাৱে প্ৰত্যুত্তৰ দিয়ে। গোচৰটোৰ অন্তিম শুনানি তথা চূড়ান্ত যুক্তিতৰ্কৰ অন্তিমটো দিনত আদালতত ভুক্তভোগী নীলোৎপল দাসৰ পিতৃ গোপাল চন্দ্ৰ দাস, অভিজিত নাথৰ পিতৃ অজিত নাথ আৰু আচমী পক্ষৰ অধিবক্তা মানস শৰণীয়াও উপস্থিত থাকে। অন্তিমটো যুক্তিতৰ্ক শুকুৰবাৰে পুৱা এঘাৰ বজাৰ পৰা বিয়লি চাৰি বজালৈকে চলে। গোচৰটোৰ শুনানিৰ অন্তিমটো দিনত আদালতত পাঁচ ঘণ্টা ধৰি যুক্তি আগবঢ়ায় চৰকাৰী অধিবক্তা জিয়াউৰ কামাৰে। পাছত তেওঁ আদালত চৌহদত সাংবাদিকৰ আগত কয়, সাত বছৰ ধৰি চলা গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়াৰ আজি অন্তিমটো দিন। আমি চূড়ান্ত যুক্তিতৰ্কত ভাগ ল'লোঁ। আচামী পক্ষৰ অধিবক্তাৰ সকলোখিনি যুক্তিৰ উত্তৰ দিলোঁ। আচামী পক্ষৰ অধিবক্তাই উঠোৱা তথ্যৰ আমি পইন্ট তালিকাৰ অন্তৰ্ভুক্ত টুপইন্ট উত্তৰ দিলোঁ। পুৱা এঘাৰ বজাৰ পৰা বিয়লি চাৰি বজালৈ গোটেইখিনি যুক্তি ( নপৃষ্ঠাত চাওক)

# বিশিষ্ট বৌদ্ধ পণ্ডিত, লেখক বৌউনথন গগৈৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ এগৰাকী বিশিষ্ট চিন্তাবিদ, গৱেষক, লিখক তথা বৌদ্ধ পণ্ডিত বৌউনথন গগৈৰ ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত প্ৰায় অৰ্ধেক মাহ চিকিৎসাধীন হৈ থকাৰ অন্তত কালি খোৱাংস্থিত তেখেতৰ ভগ্নীৰ ঘৰত নিশা ১০ বজাত ৮৬ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। গগৈয়ে অসমৰ বিভিন্ন আগশাৰীৰ বাতৰি কাকত আৰু আলোচনীত গৱেষকমূলক তথ্য তথ্য সমৃদ্ধ প্ৰবন্ধ পাতি লিখিছিল। ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ পৰা বি এ আৰু নাগপুৰ বিশ্ববিদ্যালয়ৰ পৰা এম এ ডিগ্ৰী লোৱা বৌউনথন গগৈ বহুতো পাণ্ডুলিপি আৰু কিছু গ্ৰন্থ ছপাশালত ডিটিপি কৰাৰ অৱস্থাত এৰি থৈ গৈছে। নাগালেণ্ড সচিবালয়ৰ পৰা ডেপুটি চেক্ৰেটেৰী হিচাবে ( দহ পৃষ্ঠাত চাওক)

# ১৮ মাৰ্চত প্ৰকাশ পাব

হ'ব বুলি স্পষ্ট কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- ১৮ মাৰ্চত বিজেপিৰ প্ৰাৰ্থী তালিকা প্ৰকাশ পাব। আনহাতে বৰাকৰ ১৩টা সমষ্টিৰ ১০টাত বিজেপিয়ে প্ৰাৰ্থিত্ব দিব বুলি জানিবলৈ দি আন তিনিটা সমষ্টি অগপক এৰি দিয়া হ'ব বুলিও তেওঁ উল্লেখ কৰে। মিত্ৰদল অগপক আলগাপুৰ- কাটলিচেৰা, দক্ষিণ কৰিমগঞ্জ আৰু সোণাই সমষ্টি এৰি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

# গুৰুদক্ষিণা প'ৰ্টেল

ডাঃ ৰণোজ পেগুৱে আনুষ্ঠানিকভাৱে মুকলি কৰিব গুৰুদক্ষিণা শীৰ্ষক প'ৰ্টেল। বিদ্যালয় শিক্ষা বিভাগে ইতিমধ্যে প্ৰস্তুত কৰা এই প'ৰ্টেল তথা গুৰুদক্ষিণা আঁচনি ইতিমধ্যে বিধানসভাত লেখানুদান উত্থাপনৰ সময়ত বিত্তমন্ত্ৰী অজন্তা নেওগে ৰাজহুৱা কৰিছিল। তদুপৰি এই প'ৰ্টেলত অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানত বিনাবেতনে অৱসৰ গ্ৰহণ কৰা শিক্ষক-কৰ্মচাৰী আৰু কৰ্মৰত অৱস্থাতে মৃত্যু হোৱা শিক্ষক-কৰ্মচাৰীৰ নিকটাত্মীয়য়ো গুৰুদক্ষিণা প'ৰ্টেলৰ জৰিয়তে কৰিব পাৰিব আবেদন। এই আবেদনৰ ভিত্তিতে চলিত বিত্তীয় বৰ্ষতে শিক্ষক-কৰ্মচাৰীসকলে লাভ কৰিব সাহায্য। অৱশ্যে নতুন চৰকাৰ গঠন হোৱাৰ পাছতহে এই এককালীন সাহায্য লাভ কৰাৰ সম্ভাৱনা আছে।

# কংগ্ৰেছৰ দ্বিতীয়খন

সৰুপথাৰ, ডিফু (এছটি) আৰু আমৰী (এছটি)। উল্লেখ্য যে ইতিপূৰ্বে কংগ্ৰেছে প্ৰথম তালিকাত ৪২ প্ৰাৰ্থিত্বপ্ৰত্যাশীৰ নাম ঘোষণা কৰিছিল। ইয়াকে ধৰি ৰাজ্যৰ প্ৰধান বিৰোধী দলটোৱে মুঠ ৬৫জন টিকট প্ৰত্যাশীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰিলে।

# কোকৰাঝাৰত ৪, ৫৭০ কোটিৰ প্ৰকল্প উদ্বোধন প্ৰধানমন্ত্ৰী মোদীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোকৰাঝাৰত ৪, ৫৭০ কোটিতকৈও অধিক টকা ব্যয়সাপেক্ষ বিভিন্ন উন্নয়নমূলক প্ৰকল্প উদ্বোধন-আধাৰশিলা স্থাপন কৰে। পূৰ্ব নিৰ্ধাৰিত সূচী অনুসৰি প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াৰ বাবে কোকৰাঝাৰলৈ যোৱাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে সেয়া সম্ভৱ নহ'ল। এনে পৰিপ্ৰেক্ষিতত গুৱাহাটীৰ পৰাই ভাৰ্চুৱেলী কোকৰাঝাৰত অনুষ্ঠিত জনসভা তেওঁ সম্বোধন কৰে। 'খুলুমবাই কোকৰাঝাৰ' শব্দ দুটাৰে নিজ ভাষণ আৰম্ভ কৰা প্ৰধানমন্ত্ৰী মোদীয়ে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম, ৰূপনাথ ব্ৰহ্ম আদিৰ দৰে মহান ব্যক্তিসকলক স্মৰণ কৰে। লক্ষণীয়ভাৱে প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰধান বিৰোধী দল কংগ্ৰেছক তীক্ষ্ণ সমালোচনাৰ লক্ষ্য কৰি লয়। ইয়াৰ বিপৰীতে বিজেপি-এনডিএ চৰকাৰৰ কাৰ্যকালত বড়োলেণ্ডৰ সমান্তৰালভাৱে অসমে শান্তি-উন্নয়নৰ এক নতুন অধ্যায় ৰচনা কৰা বুলি তেওঁ মন্তব্য কৰে। বড়োলেণ্ড বিশ্ববিদ্যালয়, চেণ্ট্ৰেল ইনষ্টিটিউট অৱ টেকন'লজী আৰু এখন ইঞ্জিনিয়াৰিং কলেজৰ লগতে এনেধৰণৰ অসংখ্য প্ৰকল্প বিটিচিত সফল হোৱা বুলি মন্তব্য কৰি তেওঁ কয় যে ২০২০ চনৰ চুক্তিৰ অধীনত আমি যিবোৰ প্ৰতিশ্ৰুতি দিছিলোঁ, সেয়া এটাৰ পিছত এটাকৈ দ্ৰুতগতিত নিৰন্তৰ কঠোৰ পৰিশ্ৰমেৰে পূৰণ কৰা হৈছে। বড়োক দিয়া হৈছে সহযোগী চৰকাৰী ভাষাৰ মৰ্যাদা। বড়োলেণ্ডৰ কাৰণে ১, ৫০০ কোটি টকাৰ এটা বিশেষ পেকেজ প্ৰদান কৰা হৈছে। কোকৰাঝাৰত এখন মেডিকেল কলেজ স্থাপন ( নপৃষ্ঠাত চাওক)

# বিৰোধীয়ে '৩১ৰ বাবেহে চিন্তা কৰি আছে, '২৬ৰ নহয়ঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- সমাগত বিধানসভা নিৰ্বাচনত বিৰোধীৰ স্থিতিক লৈ বৃহস্পতিবাৰে গুৱাহাটীত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, মই নাভাবোঁ যে এইবাৰ অসমত বিৰোধীয়ে বহুত কিবা কৰিব পাৰিব। তেওঁলোকৰ চেষ্টা ২০৩১ক লৈহে। কংগ্ৰেছ দলে ২০২৬ৰ প্ৰস্তুতি প্ৰথমৰ পৰাই কৰা নাই। তেওঁলোকৰ প্ৰস্তুতি ২০৩১ক লৈহে চলি আছে। সমান্তৰালভাৱে অসমত ডাব্ল ইঞ্জিন ঢৌ আৰম্ভ হৈছে। কংগ্ৰেছে ঢৌ শেষ হৈছে বুলি ভাবিছে। কিন্তু এতিয়া ছুনামি আৰম্ভ হ'ব। মোদী ঢৌৰ পিছত এইবাৰ মোদীৰ ছুনামি আহি আছে। আনহাতে আগন্তুক বিধানসভা নিৰ্বাচনত অগপ-বিজেপিৰ আসন বুজাবুজিক কেন্দ্ৰ কৰি যোৱা সময়ছোৱাত চলি থকা নানান চৰ্চা আৰু বিতৰ্কৰ বিপৰীতে (দহ পৃষ্ঠাত চাওক)

# ৫,৭৫৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান মুখ্যমন্ত্ৰীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- নিৰ্বাচনৰ প্ৰাক্কণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে অন্তিমটো নিযুক্তি অনুষ্ঠানৰ আয়োজন কৰে। বৃহস্পতিবাৰে গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৫, ৬৯০ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰে। এই চৰকাৰী চাকৰিসমূহ মূলতঃ শক্তি আৰু শিক্ষা বিভাগত দিয়া হৈছে। ইয়াৰ লগে লগে বৰ্তমানৰ ৰাজ্য চৰকাৰৰ কাৰ্যকালত চৰকাৰী চাকৰিত সৰ্বমুঠ নিযুক্তিৰ সংখ্যা ১, ৬৪, ৪২৩গৰাকীলৈ বৃদ্ধি পালে। এই অনুষ্ঠানত উচ্চ প্ৰাথমিক আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদত ৩, ৫১৫গৰাকী, প্ৰাদেশীকৃত টিউটৰৰ পৰা শিক্ষক পদলৈ উন্নীত ১১৬গৰাকী, উচ্চপ্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক বা বিজ্ঞান শিক্ষক পদৰ পৰা প্ৰধান শিক্ষক পদলৈ পদোন্নতিপ্ৰাপ্ত ১৯৭গৰাকী, উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পদত ৪৪৬গৰাকী, উচ্চ শিক্ষা বিভাগত সহকাৰী অধ্যাপক, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত ১৭৭ গৰাকী, চৰকাৰী অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যক্ষ পদত ৪গৰাকী, ৰাজ্যিক শিক্ষা, গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ অন্তৰ্গত প্ৰৱক্তা পদত ৬০ গৰাকী, সমগ্ৰ শিক্ষা অভিযানৰ অন্তৰ্গত ঠিকাভিত্তিক আৰু ষ্টেট পুলৰ শিক্ষক হিচাপে কৰ্মৰত ১, ১৭৫গৰাকীক প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অন্তৰ্গত স্থায়ী পদত আৰু অসম শক্তি বিতৰণ কোম্পানীৰ অধীনত সহকাৰী গাণনিক বিষয়া হিচাপে ৬৪গৰাকীক নিযুক্তি-পত্ৰ প্ৰদান কৰা হয়। এই উপলক্ষে দিয়া ভাষণত (দহ পৃষ্ঠাত চাওক)

# নামনি মাজুলীৰ চিৰামপুৰীয়াৰ পঃৰাগ উৎসৱত লোকে-লোকাৰণ্য




ৰঙিলী বাৰ্ত্তাসেৱা- মাজুলী জিলাৰ নামনি মাজুলীৰ কৰতিপাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত চিৰাম পুৰীয়া গাঁৱৰ পঃৰাগ উৎসৱৰ দ্বিতীয় দিনা আজি লোকে লোকাৰণ্য হৈ পৰে। বিস্তৃত ( নপৃষ্ঠাত চাওক)

# গুৱালকুছি শাখা লেখিকা সংস্থাৰ উদ্যোগত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা-নাৰী এটি সত্তা পৃথিৱীৰ উৰ্বৰা শক্তি ।নাৰী অবিহনে ধৰাখন অসম্পূৰ্ণ তথাপিও নাৰী পদে পদে লাঞ্চিত বঞ্চিত। সেয়া অনুভৱ কৰি ১৯০৮ নিউয়ৰ্কত সামাজিক গণতান্ত্ৰিক নাৰী সংগঠনে আয়োজিত কৰা নাৰী সমাবেশত জাৰ্মান সমাজতান্ত্ৰিক নেত্ৰী ক্লাৰা জেটলিনৰ নেতৃত্বত সৰ্বপ্ৰথম আন্তৰ্জাতিক নাৰী সম্মিলন অনুষ্ঠিত হয় ।তেনেকৈ নাৰী দিৱস পালন কৰে গোটেই বিশ্বতে ইয়াৰ একমাত্ৰ উদ্দেশ্য সমাজৰ অশিক্ষিত, নিষ্পেষিত, লাঞ্চিত হোৱা নাৰী সকলক সুৰক্ষা দিয়া। গোটেই বিশ্বৰ লগতে ৮মাৰ্চ ২০২৬চন গুৱালকুছিৰ শাখা লেখিকা সংস্থাৰ উদ্যোগতো আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন কৰে ( নপৃষ্ঠাত চাওক)

# বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত বিশাল যোগদান কাৰ্যসূচী




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত আজি অনুষ্ঠিত হ'ল এক বিশাল যোগদান ( নপৃষ্ঠাত চাওক)

# নাৰী জাগৰণঃ সমাজ উন্নয়নৰ মূল শক্তি

জ্যোতিপ্ৰসাদ দেউৰী
নাৰায়ণপুৰ, লখিমপুৰ



নাৰী সমাজৰ এক অতি গুৰুত্বপূৰ্ণ অংশ। এখন পৰিয়াল, সমাজ আৰু দেশৰ উন্নতিৰ ক্ষেত্ৰত নাৰীৰ ভূমিকা অসীম। এজনী নাৰী কেৱল গৃহিণী বা মাকেই নহয়, তেওঁ সমাজৰ এক শক্তিশালী ভিত্তি। সেয়েহে নাৰী জাগৰণ আজিৰ সময়ত অত্যন্ত প্ৰয়োজনীয় বিষয় হিচাপে বিবেচিত হৈছে।

সমাজৰ প্ৰথম বিদ্যালয় হৈছে পৰিয়াল, আৰু সেই বিদ্যালয়ৰ প্ৰথম শিক্ষক হৈছে মাক। এজনী সচেতন আৰু শিক্ষিত নাৰীয়ে নিজৰ সন্তানক সৎ মূল্যবোধ শিকায় আৰু তেওঁক এজন ভাল মানুহ হিচাপে গঢ়ি তোলে। সেয়েহে নাৰীৰ শিক্ষা আৰু সচেতনতা কেৱল এজন ব্যক্তিৰ উন্নতি নহয়, ই সমগ্ৰ সমাজৰ উন্নতিৰ সৈতে জড়িত।

ইতিহাসৰ বহু সময়ত নাৰীসকলক সমাজত পিছত ৰখা হৈছিল। তেওঁলোকৰ শিক্ষাৰ সুযোগ সীমিত আছিল আৰু বহু ক্ষেত্ৰত তেওঁলোকৰ মতামতক গুৰুত্ব দিয়া নাছিল। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই অৱস্থা লাহে লাহে সলনি হৈছে। বৰ্তমান যুগত নাৰীসকল শিক্ষা, চিকিৎসা, বিজ্ঞান, ৰাজনীতি, খেলাধূলা আৰু সংস্কৃতি আদি বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰিছে।


নাৰী জাগৰণৰ মূল লক্ষ্য হৈছে নাৰীসকলক নিজৰ অধিকাৰ আৰু দায়িত্ব সম্বন্ধে সচেতন কৰা। শিক্ষা, আত্মবিশ্বাস আৰু স্বাৱলম্বীতাই নাৰীক শক্তিশালী কৰি তোলে। এজনী শিক্ষিত আৰু স্বাৱলম্বী নাৰীয়ে নিজৰ জীৱনৰ সিদ্ধান্ত নিজে ল'ব পাৰে আৰু অন্যায়ৰ বিৰুদ্ধে দৃঢ়ভাৱে থিয় দিব পাৰে।

অসমতো নাৰীসকল বহু ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিছে। বিশেষকৈ গ্ৰামাঞ্চলত বহু নাৰী স্ব-সহায়ক গোটৰ জৰিয়তে ক্ষুদ্ৰ উদ্যোগ আৰম্ভ কৰি নিজৰ পৰিয়ালৰ আৰ্থিক অৱস্থা উন্নত কৰিছে। হাতৰ শিল্প, কৃষি আৰু ক্ষুদ্ৰ ব্যৱসায়ৰ জৰিয়তে তেওঁলোকে সমাজৰ অৰ্থনৈতিক বিকাশত উল্লেখযোগ্য অৱদান আগবঢ়াইছে।

নাৰী জাগৰণ নিশ্চিত কৰিবলৈ সমাজ আৰু চৰকাৰ দুয়োৰে মিলিত প্ৰচেষ্টা প্ৰয়োজন। প্ৰতিটো কন্যা শিশুক শিক্ষাৰ সুযোগ দিব লাগিব, নাৰী অধিকাৰ সম্বন্ধে সচেতনতা বৃদ্ধি কৰিব লাগিব আৰু নাৰীৰ ওপৰত হোৱা অত্যাচাৰ বন্ধ কৰিবলৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

শেষত ক'ব পাৰি যে নাৰী হৈছে সমাজৰ শক্তি আৰু সম্ভাৱনা। যি সমাজে নাৰীক সন্মান কৰে আৰু তেওঁলোকক আগবাঢ়িবলৈ সুযোগ দিয়ে, সেই সমাজেই প্ৰকৃত অৰ্থত উন্নত আৰু সুস্থ সমাজ হিচাপে পৰিগণিত হয়। নাৰী জাগৰণ এখন উন্নত সমাজ গঢ়াৰ অন্যতম গুৰুত্বপূৰ্ণ পদক্ষেপ।

# প্ৰতিবিম্ব



প্ৰভাত বণিয়া

চকুয়ে চকুয়ে চালেই বুজিব পাৰি
মানুহৰ খোজ কাটল, চাল চলন
ব্যক্তি আৰু ব্যক্তিত্বৰ পৰিচয়
শাৰীৰিক পৰিভাষা
হৃদয়ৰ ধ্যান ধাৰণা
আত্মীক সম্পৰ্ক
মনৰ ফটফটীয়া আইনাত পৰিস্ফুট হৈ উঠে স্বচ্ছ অন্তৰ স্বচ্ছ কথা
জীৱনৰ চৰম দুৰ্দিনত আপোন জন হ'ব পাৰে পৰ,
পৰো হ'ব পাৰে আপোন
এনে কথা নাই যে মুখ ফুটাই কোনো কথা
নকলেও বুজা নাযায় মানুহৰ বুকুৰ বেদনা
মৰম ভাল পোৱা
কথা-বাৰ্তা
চিন্তা-ভাৱনা
দৈনন্দিন আড্ডাত প্ৰকাশ পায় শুভচিন্তকৰ স্ফটিক চেহেৰা
আপোন কুটুম্বৰ আত্মাভিমান, গৰ্ব অহঙ্কাৰ
সুখ দুখ
বিপদ সম্পদ বিনা দ্বিধাই স্বচ্ছন্দে অহৰ্নিশ
কাষত থকা জন হ'ব পাৰে সঁচা বন্ধু
আপোনৰো আপোন
প্ৰকৃত সহচৰ।

# অসমীয়া সাহিত্যৰ সাম্প্ৰতিক গতিধাৰা

কুঞ্জিল হাজৰিকা
যোৰহাট, টীয়ক



ভাষা আৰু সাহিত্য একোটা জাতিৰ মেৰুদণ্ড স্বৰূপ। অসমীয়া সাহিত্যৰ ইতিহাস অতি প্ৰাচীন আৰু চহকী হ'লেও সাম্প্ৰতিক সময়ত নতুন দিগন্তৰ সূচনা কৰিছে। আধুনিক বিশ্বায়নৰ প্ৰভাৱত আমাৰ ভাষা-সাহিত্যৰ পৰিসৰ কেৱল ছপা মাধ্যমতে আৱদ্ধ হৈ থকা নাই, ই ডিজিটেল জগতখনলৈকো বিস্তৃত হৈছে। সাম্প্ৰতিক সময়ৰ অসমীয়া সাহিত্যৰ আটাইতকৈ উল্লেখনীয় দিশটো হ'ল বিষয়বস্তুৰ বৈচিত্ৰ্য। পূৰ্বৰ দৰে কেৱল গাঁৱলীয়া জীৱন বা প্ৰেমৰ আৱেগতে আৱদ্ধ নাথাকি বৰ্তমানৰ লিখকসকলে মনস্তাত্বিক বিশ্লেষণ, গোলকীয় সমস্যা, পৰিৱেশ তন্ত্ৰৰ অৱক্ষয় আৰু বিজ্ঞানমনস্কতাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহক সাহিত্যৰ মাজেৰে তুলি ধৰিবলৈ চেষ্টা কৰিছে। বিশেষকৈ অসমীয়া চুটিগল্প আৰু কবিতাৰ ক্ষেত্ৰত এক প্ৰকাৰৰ শৈলীগত পৰীক্ষা-নিৰীক্ষা চলি থকা দেখা গৈছে।

অৱশ্যে সাহিত্যৰ এই জয়যাত্ৰাৰ মাজতো কিছুমান প্ৰত্যাহ্বান স্পষ্ট হৈ পৰিছে। ডিজিটেল মাধ্যমৰ সহজলভ্যতাৰ বাবে আজি সকলোৰে লিখিব পৰা এক পৰিৱেশ সৃষ্টি হৈছে, যিটো আশাব্যঞ্জক; কিন্তু ইয়াৰ লগে লগে সাহিত্যৰ গুণগত মান বা মানদণ্ড ৰক্ষাৰ ক্ষেত্ৰত এক প্ৰশ্নবোধক চিহ্নৰো সৃষ্টি হৈছে। কেৱল শব্দৰ জঁট লগাই লিখিলেই সেয়া উচ্চমানৰ সাহিত্য হ'ব নোৱাৰে। এগৰাকী সচেতন লিখকৰ বাবে ভাষাৰ শুদ্ধতা, শব্দৰ সঠিক প্ৰয়োগ আৰু গভীৰ অধ্যয়নৰ একান্ত প্ৰয়োজন। আজিৰ যান্ত্ৰিক যুগত মানুহৰ পঢ়াৰ অভ্যাস কমি অহা বুলি এটা অভিযোগ উত্থাপন হয় যদিও ই-আলোচনী আৰু সামাজিক মাধ্যমৰ জৰিয়তে নবীন প্ৰজন্মই সাহিত্য চৰ্চাৰ যি এক নতুন মঞ্চ বিচাৰি পাইছে, ( ছয় পৃষ্ঠাত চাওক)

# বৃদ্ধাশ্ৰম



ৰাতুল চেতিয়া ফুকন, সোণাৰি

কত দুখ কষ্ট ত্যাগৰ
জীয়া বুৰঞ্জীৰ সমাবেশ,
চকুলোৰে মুচিথৈ
সম্ভ্ৰান্ত ঠিকনা
আবেলিৰ বেলি
পৃথিৱীৰ মোহত বন্দী ।
বৰ্তমানৰ সুখ আৰু
উভতি নোচোৱাৰ দুখ,
বিচিত্ৰ পৃথিৱী ।
মই কওঁ বুকুত মন্দিৰ বনোৱা
বৃদ্ধাশ্ৰম নাপাতিবা কেতিয়াও।

# নেওতা পাঠৰ সাংগীতিক লয়ে গণিতৰ প্ৰতি আকৃষ্ট কৰা গণিতজ্ঞজন

বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও



মৰমৰ মইনাহঁত, তোমালোকে সুৰ লগাই নেওতা গাই পাইছানে? সুৰ লগাই পদ্য মতিলে বা সুৰ লগাই নেওতা গালে মনত বৰ আনন্দ লাগে আৰু সহজে মনত ৰয়। আজি তোমালোকক এনে এজন গৰু ৰখীয়া ল'ৰাৰ কথা কম যিজনে পথাৰত গৰু চৰাই থাকোঁতে কাষৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষকে পাঠদান কৰা সকলোখিনি মনোযোগেৰে শুনি থাকিছিল। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে সুৰ দি নেওতা পঢ়ি থকা শুনি তেওঁ গৰু এৰি বিদ্যালয়ৰ খিৰিকীৰ কাষত ৰৈ একান্ত মনেৰে শুনি থাকিছিল।

এদিন এটা ঘটনাই ল'ৰা জনৰ ভাগ্য মুকলি কৰিলে। ঘটনাটো হ'ল শিক্ষকজনে ছাত্ৰ-ছাত্ৰী সকলক গণিত বিষয়ৰ এটা প্ৰশ্ন সুধিলে, কোনো এজনেও প্ৰশ্নটোৰ উত্তৰ দিব নোৱাৰিলে। শিক্ষক জনে সেই সময়ত খিৰিকীৰ বাহিৰত ৰৈ শুনি থকা ল'ৰা জনক প্ৰশ্নটো সুধিলে । ল'ৰাজনে ততালিকে শুদ্ধ উত্তৰ দিলে। শিক্ষকজনে ল'ৰাজনৰ প্ৰতিভাৰ কথা বুজিব পাৰি সেই বিদ্যালয়ত নাম লিখাবলৈ কয়। পিতৃহাৰা ল'ৰা জনৰ মাকে আৰ্থিক উপাৰ্জনৰ বাট বন্ধ হোৱাৰ ভয়ত প্ৰথমে শিক্ষক জনৰ কথা মানি লোৱা নাছিল যদিও পিছত শিক্ষকজনৰ তত্বাৱধানতে ১৯০১ চনত বৰপেটাৰ বামাখাটা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ হয়। তেতিয়াৰ পৰাই কামো নামৰ গৰুৰখীয়া ল'ৰা জন হৈ পৰে কামেশ্বৰ দাস। শিক্ষকজনেই অনুমান কৰি তেওঁৰ জন্ম তাৰিখ ১৮৯৩ চনৰ ১ মাৰ্চ দিয়ে। ১৯০৪ চনত তেওঁ বৃত্তি সহ প্ৰাথমিক বিদ্যালয়ৰ পৰা উৰ্ত্তীণ হৈ চৌখুটি এম ভি স্কুলত নামভৰ্তি কৰে। এম ভিৰ শিক্ষান্ত পৰীক্ষাত বৰপেটা মহকুমাৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰে আৰু ১৯১১ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সদৌ অসম উপত্যকাৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰি উৰ্ত্তীণ হয়। ১৯১৩ চনত কটন মহাবিদ্যালয়ৰ পৰা আই এছ চি পৰীক্ষাত সুখ্যাতিৰে উৰ্ত্তীৰ্ণ হৈ গণিত বিষয়ত অনাৰ্চ সহ কলিকতাৰ ঢাকাত বি এছ চি পঢ়ে। ১৯১৫ চনত গণিত বিষয়ত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা স্নাতক মহলাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰে। ১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা গণিত বিষয়ত সোণৰ পদক সহ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি স্নাতকোত্তৰ আৰু বি এল ডিগ্ৰী লাভ কৰে। তেওঁৱেঁই হৈছে গণিতশাস্ত্ৰত সোণৰ পদকসহ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানপ্ৰাপ্ত প্ৰথম অসমীয়া স্নাতকোত্তৰ (বিজ্ঞান শাখা)।

গণিত শাস্ত্ৰৰ পণ্ডিত ছাৰ আশুতোষ মুখোপাধ্যায়ৰ অনুমোদন ক্ৰমে অসম চৰকাৰৰ পৰা এবছৰীয়া জলপানি লৈ তেওঁ চি ই কুলিছ ( C E Cullis)নামৰ গণিতৰ অধ্যাপক এজনৰ অধীনত গৱেষণা কৰিছিল। সেই সময়ৰ আলোচনীত তেওঁৰ গৱেষণাপত্ৰ প্ৰকাশ পাইছিল।

অসাধাৰণ প্ৰতিভাসম্পন্ন দাসে আৰ্থিক অনাটনক নেওচি সফলতা লাভ কৰিব পাৰিছিল। তেওঁ আইনৰ ডিগ্ৰী লৈ বৰপেটাত অধিবক্তা হিচাপে কাম কৰিছিল। কিছুদিন ব্যৱসায় কৰিছিল। অসম বিধানসভাৰ সদস্য, বৰপেটাৰ এম ছি মহাবিদ্যালয় আৰু পাঠশালাৰ বজালী মহাবিদ্যালয়ৰ অধ্যক্ষপদ আৰু অসম লোকসেৱা আয়োগৰ অধ্যক্ষৰ দৰে দায়িত্বপূৰ্ণ পদবীত আছিল। তেওঁ ঘোঁৰাৰ ৰং, গঠন আৰু ওজনৰ ওপৰত ভিত্তি কৰি 'সম্ভাৱিতা সূত্ৰ' ৰ সহায়ত কোনটো ঘোঁৰা জয়ী হ'ব, তাৰ সম্ভাৱিতা উলিয়াব পাৰিছিল। এই গৰাকী মেধা ব্যক্তিয়ে ১৯৬৬ চনৰ ১ ছেপ্টেম্বৰত গুৱাহাটীত ইহলীলা সম্বৰণ কৰে। তেওঁৰ কৰ্ম সাধনা, মনোবল সকলোৰে বাবে আদৰ্শস্বৰূপ।

# সংগ্ৰাম

পৰিস্মীতা বৰা, মাজুলী



জীৱনৰ বাট সদায় সংগ্ৰামেৰে ভৰা। সেই সংগ্ৰাম নেওচি যাব পৰা জন প্ৰকৃত মানৱ। সংগ্ৰাম থাকিলেহে জীৱনৰ বাটত আগুৱাই যাব পাৰি। ঠিক তেনে এক সংগ্ৰামৰ মাজেৰে আগুৱাই গৈছিল পৰি। পৰি এজনী মধ্যবিত্ত পৰিয়ালৰ ছোৱালী। তাইৰ ঘৰ মাজুলীত। পূৱাৰ সূৰুয যেন আজি বেছিকৈ ওলাইছে। কাৰোবাৰ সপোন বোৰেও যেন লাহে লাহে সাৱ পাইছে। পুৱাৰ কিৰণৰ দৰে, পৰিৰ সপোন বোৰেও যে আজি পোখা মেলিছে। পৰিৰ সপোন অগাধ। কিন্তু সংগ্ৰাম যে তাইৰ প্ৰতিবন্ধকতা। জীৱনটোত তাই নানা সংগ্ৰাম কৰিছে। তথাপিও তাই ভাগৰি পৰা নাই। ওচৰ চুবুৰীয়াৰ কৰ্কথনা, গালি গালাজ শুনিছে। তাৰ সীমা নাই। পৰিৰ সপোন এগৰাকী দক্ষ প্ৰশাসনিক বিষয়া হোৱাৰ। সমাজৰ হকে ভাল কাম কৰি যোৱা সপোনক বাস্তৱ ৰূপায়িত কৰাৰ প্ৰয়াস কৰিছে তাই। তাই apsc পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাইছে। মাজতে তাই নানা প্ৰত্যাহ্বানৰ সন্মুখিন হৈছে। তথাপিও তাই থমকি ৰোৱা নাই। এনেদৰে দিন বোৰ গৈ আছিল। পৰিৰ apsc পৰীক্ষা পালেহি। তাই পূৰ্ণ উদ্যমেৰে পৰীক্ষা দিছে। তাইৰ বিশ্বাস তাই সফল হ'বই। দিন বোৰ বাগৰিল। আজি তাইৰ পৰীক্ষাৰ ফলাফল দিব। কিমান যে আনন্দ তাইৰ আজি। তাইৰ ফলাফল ভাল হ'ব, তাইৰ সপোন পূৰ হ'ব । অৱশেষত ফলাফল পালে তাই acs ত স্থান পাইছে। প্ৰতিবন্ধকতা যে সফলতাৰ হেঙাৰ হ'ব নোৱাৰে। তাৰ জলন্তপ্ৰমান দিলে পৰিৰ সফলতাই। এটা কথা ঠিক যে জীৱনৰ বাটত আগুৱাই যাওতে নানা প্ৰতিবন্ধকতা আহিব। কিন্তু সেই প্ৰতিবন্ধকতা নেওচি আগুৱাই যাব পৰা জনহে প্ৰকৃত সফলতাকাৰী। সেই কথা তাই প্ৰতি খোজতে বিশ্বাস কৰে। সংগ্ৰামেৰে আগবঢ়া পৰিৰ সপোনে বাস্তৱ ৰূপ পালে। আজি যেন কেৱল পৰিয়ে নহয়, সমগ্ৰ পৃথিবী খনে সুখী। মুঠৰ ওপৰত সংগ্ৰামী পৰি জনি শেষত সফল হ'ল।

# নাৰী

মীৰা কোঁৱৰ



নাৰী হ'লো বুলিয়েই
সকলো দুখ সহিব নোৱাৰোঁ
ভগৱান বুলি পুৰুষৰ
অত্যাচাৰ সহিব নোৱাৰোঁ
পখি হৈ ডেউকা লগাই উৰিবলৈ
সপোন আছে মোৰো
নদী হৈ দুপাৰ পলসুৱা কৰাৰ
হেঁপাহ আছে মোৰো
নাৰী হৈ কিয় সাঁচি থম
মোৰ মনৰ ইচ্ছা, মনৰ হেঁপাহবোৰ
কিয় সীতা লৈ প্ৰতি ক্ষণতে
ৰামৰ অগ্নি পৰীক্ষাত অৱতীৰ্ণ হ'ম
পুৰুষৰ তুলনাত নাৰীক
শক্তিহীন, দুৰ্বল বুলি গণ্য নকৰিবা
প্ৰেমৰ মিছা হাতোঁৰাৰে
গোটেই জীৱন জুৰি
বন্দী কৰিবলৈ চলনা নকৰা,
মোৰ আছে এখনি হৃদয়
আছে মোৰো এটি অনুভৱী প্ৰাণ
জীৱনটো সঞ্জীৱ কৰিবলৈ
আমাকো লাগে পুৰুষৰ দেহৰ শক্তি
নতুনত্বৰ সন্ধান কৰিবলৈ
নালাগে মোৰ কোমল দেহত
যৌনতাৰে মুচৰিবলৈ
সংগী হোৱা তুমি মোৰ
আকাশখন চোৱা হেঁপাহ বোৰ
পূৰণ কৰা পথত।।।

অণুগল্প

# কপাল




সম্প্ৰীতি কোঁৱৰ, এজিমালা, কেৰেলা

বাৰ্ষিক ক্ৰিয়া সপ্তাহত প্ৰথমবাৰৰ বাবে তাইৰ অভিনয় দেখি দুয়োজনেই অভিভূত হৈ পৰিছিল। অতি কম সময়ৰ ভিতৰতে শ্ৰেষ্ঠ শিশু শিল্পী হিচাপে সকলোৰে প্ৰিয় হৈ পৰিল। লগে লগে ভগৱানৰো।

# অসমীয়া সাহিত্যৰ

সি অসমীয়া সাহিত্যৰ ভৱিষ্যতৰ বাবে এক শুভ লক্ষণ।

সামৰণিত ক'ব পাৰি যে যুগৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্যৰ ৰূপ সলনি হোৱাটো স্বাভাৱিক। কিন্তু আমাৰ মৌলিক চিন্তা আৰু জাতীয় চেতনা অক্ষুণ্ণ ৰাখি বিশ্ব সাহিত্যৰ সমান্তৰালভাৱে অসমীয়া সাহিত্যক আগুৱাই নিবলৈ হ'লে লিখক আৰু পাঠক উভয়ৰে দায়িত্ব অপৰিসীম। সমাজৰ প্ৰতি থকা দায়বদ্ধতা আৰু কলাত্মক নিষ্ঠাইহে আমাৰ সাহিত্যক এক চিৰন্তন মৰ্যাদা প্ৰদান কৰিব পাৰিব।

JANASANYOG- 4889/25/15-March-26



# জীৱন সঠিক সিদ্ধান্তৰ ওপৰত



**মুজাম্মেল হ'ক, গুৱাহাটী**

ওচৰত থাকেহি ৰাতি তোমাৰ স্মৃতি
কজানানে সেয়ে নিতৌ হৈছে টোপনি ক্ষতি
টোপনিক দিয়া খেদি
নোকোৰা যে শব্দ ভেদি
স্থবিৰ হ'ল শুনা মোৰ দুৰ্বাৰ গতি।
টোপনিতে অহা-যোৱা বতৰা মনৰ
যিটো হৈছে সপোন অনুপাতে জ্ঞানৰ
সিদ্ধান্তত হ'ল অন্ত
প্ৰেমৰ সীমা দিগন্ত
সঁচা প্ৰেম মানেই উন্নতি জীৱনৰ।
এটা ভুল সিদ্ধান্ত মানে শেষ জীৱন
শুদ্ধ হ'লে সুন্দৰ জীৱন আৱাহন
শুনা-শুনা ডেকা বন্ধু
গুচোৱা মন-এলান্ধু
সত্য পথ-যাত্ৰী সত্যৰে অৱগাহন।

# ৮মাৰ্চ নাৰী দিৱস আৰু নাৰীৰ জনজাগৰণ

**যোৰাখণ্ডৰ পৰা...**



ছোৱালী জনীও নিজে যিকোনে পৰিস্থিতি মোকাবিলা কৰিব সাহস পাব। কিবা কাৰণত মাকৰ ঘৰখনত বিবাহ নোহোৱাকৈ অবিবাহিত থাকিলেও স্বাৱলম্বীতাই তাইৰ জীৱন চালিকা শক্তিক ইন্ধন যোগাব। তাৰ কাৰণে সৰুৰে পৰাই কিছুমান প্ৰশিক্ষণ দিব লাগিব।

ল'ৰা -ছোৱালীৰ মাজত পাৰ্থক্য অভিভাৱকে ভাবিব নালাগে। যেতিয়া সমান্তৰাল ৰেখাডাল অভিভাৱকে নিজৰ হৃদয়ত টানি ল'ব তেতিয়া নিশ্চয় আন এটা দিশৰ সূচনা হ'ব। বৰ্তমান কিছু পৰিবৰ্তন হৈছে আৰু আশা কৰিম সুফল লাভ কৰিব।

**অনামিকা (সংগীতা) কলিতা, গুৱালকুছি**

চৰকাৰী বা ব্যক্তিগত প্ৰতিষ্ঠানত কৰ্মৰত মহিলৰ বাহিৰেও , ঘৰত থকা অশিক্ষিত বা শিক্ষিত মহিলাসকলে বিভিন্ন ব্যৱসায়ৰ জৰিয়তে নিজকে স্বাৱলম্বী কৰি তুলিব পাৰে। কেইটামান উদাহৰণ দিলোঁ।

১) হাঁহ- কুকুৰা, ছাগলী আদি প্ৰতি পালন।
২) ঘৰতে সৌন্দৰ্য চৰ্চাৰ অনুষ্ঠান খুলি।
৩) এমব্ৰইদাৰী কাটিং চিলাই আদি।
৪) নাচগানৰ চাৰ্টিফিকেট থাকিলে, ঘৰত প্ৰশিক্ষণৰ দিয়াৰ সুবিধা কৰিব পাৰে।
৫) শিক্ষিত নাৰী সকলে কণ-কণ ছাত্ৰ ছাত্ৰীক টিউচন কৰিব পাৰে।
৬) বিয়া সভাৰ ভাৰাৰ সামগ্ৰী যোগান ধৰা।
৭) জাম, জেলি, পাপৰ, আচাৰ, কেক আদিৰ ব্যৱসায় ভিত্তিত প্ৰস্তুত কৰা।
৮) ডাকঘৰ সঞ্চয় আঁচনিৰ, জীৱন বীমাৰ এজেন্ট।
৯) থলুৱা বস্ত্ৰৰ ব্যৱসায়, তাত শালৰ ফেক্টৰী।

*(বাৰপৃষ্ঠাত চাওক)*

# নাৰী দিৱস, নাৰীবাদ আৰু মই

**যোৰাখণ্ডৰ পৰা...**

**ময়ূৰী বৰগোহাঁই**
**শিৱসাগৰ**



আমাৰ সমাজীকৰণে নাৰীক শিকায় - নিজকে বিলাই দিব, নিজকে ক্ষুদ্ৰ কৰিব, নিজৰ ইচ্ছাক সকলোৰে ইচ্ছাৰ অধীনত ৰাখিব। এই শিক্ষাৰ বিৰুদ্ধে বিদ্ৰোহ কৰাটো সহজ নহয় কাৰণ ই কেৱল বাহ্যিক প্ৰতিৰোধ নহয়, ই এক আভ্যন্তৰীণ যুদ্ধ, নিজৰেই একাংশৰ বিৰুদ্ধে নিজৰেই আন একাংশৰ সংঘৰ্ষ।

তথাপিও সেই যুদ্ধ অপৰিহাৰ্য। কাৰণ যি "মই" অৰ্থাৎ নিজকে চিনি নাপায়, যি "মই" নিজৰ অধিকাৰক স্বীকাৰ নকৰে, সি কোনো সমাজৰ প্ৰকৃত পৰিৱৰ্তনত অবদান দিব নোৱাৰে।

অসমীয়া সমাজখন এক জটিল সাংস্কৃতিক মোজেইক। ইয়াত একাধাৰে শক্তিৰ দেৱী আৰাধিতা হয়, আৰু একাধাৰে জীৱন্ত নাৰীৰ শক্তিক ক্ৰমাগত তল কৰি ৰখাৰ চেষ্টা কৰা হয়। কামাখ্যাদেৱীক মহাশক্তি বুলি পূজা কৰা সেই একেখন সমাজত ঋতুমতী নাৰীক অপবিত্ৰ বুলি ঘৰৰ চুকত বহুৱাই ৰখাৰ পৰম্পৰাও আছে - এই বিৰোধাভাস কেৱল দৈনন্দিন জীৱনৰ অসংগতি নহয়, ই এক গভীৰ সাংস্কৃতিক মনোবিকৃতিৰ লক্ষণ।

অসমীয়া সাহিত্যৰ পাতলৈ চালে লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যত নাৰীৰ উপস্থিতিৰ কথা ভাবোঁ। জ্যোতিপ্ৰসাদৰ নাটসমূহত যি নাৰীচৰিত্ৰসমূহ আছে, তাত এক প্ৰগতিশীল চিন্তাৰ ৰেশ আছে। কিন্তু সমসাময়িক অসমীয়া সমাজৰ বাস্তৱতা প্ৰায়ে সাহিত্যৰ আদৰ্শৰ বিপৰীতমুখী।

আজিৰ অসমীয়া নাৰী এক অদ্ভুত দ্বিধাৰ মাজত বাস কৰে। তেওঁ বিশ্ববিদ্যালয়ত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হয়, কিন্তু বিৱাহৰ পিছত তাইৰ কেৰিয়াৰ পৰিয়ালৰ "সিদ্ধান্ত"ত পৰিণত হৈ যায়। তেওঁ চাকৰিত উৎকৃষ্ট প্ৰদৰ্শন কৰে, কিন্তু ঘৰৰ চামনিখন পাৰ হ'লেই তেওঁক "অহংকাৰী" বুলি চিহ্নিত কৰা হয়। তেওঁ নিজৰ মত প্ৰকাশ কৰে, কিন্তু "ডাঙৰৰ আগত মত দিব নলগা" ৰ সাংস্কৃতিক আদেশে তেওঁক বাৰে বাৰে নিস্তব্ধ কৰিব বিচাৰে।

এই দ্বিধাৰ মাজতো পৰিৱৰ্তনৰ সোঁত বৈছে। উত্তৰ-পূৰ্ব ভাৰতৰ মাতৃপ্ৰধান সমাজসমূহ - খাচী, জয়ন্তীয়া, গাৰো - এই সমাজসমূহত নাৰী-পুৰুষৰ ক্ষমতা-সম্পৰ্কৰ যি বিকল্প ৰূপ দেখা যায়, তাই বিশ্বকে দেখুৱায় যে পুৰুষতন্ত্ৰ কোনো জৈৱিক অনিবাৰ্যতা নহয়, ই এক ঐতিহাসিক নিৰ্মাণমাত্ৰ।

যিটো আন্দোলন নিজৰ সীমাবদ্ধতাক স্বীকাৰ কৰিব নোৱাৰে, সি আচলতে মতবাদ হৈ যায়, আন্দোলন নহয়। নাৰীবাদৰ মহত্ব ইয়াতেই যে ই সৰ্বদা নিজকে প্ৰশ্ন কৰিছে, নিজকে পুনৰ্নিৰ্মাণ কৰিছে।

প্ৰথম আৰু দ্বিতীয় তৰংগৰ নাৰীবাদে যি ভুলটো কৰিছিল, তাক অড্ৰে লৰ্ড তীক্ষ্ণভাৱে চিহ্নিত কৰিছিল - "মাষ্টাৰৰ সঁজুলি কেতিয়াও মাষ্টাৰৰ ঘৰ ভাঙিব নোৱাৰে"। শ্বেতাঙ্গ মধ্যবিত্ত নাৰীৰ মুক্তিক সাৰ্বজনীন নাৰী-মুক্তি বুলি উপস্থাপন কৰাটো আছিল এক বৌদ্ধিক ঔপনিৱেশিকতাৰ ৰূপ। দলিতনাৰীৰ শোষণ, আদিবাসী নাৰীৰ ভূমিহীনতা, মুছলমান নাৰীৰ ধৰ্মীয় পৰিচয়ৰ জটিলতা - এইবোৰ প্ৰশ্ন যদি নাৰীবাদে এৰাই যায়, তেন্তে সি এক অসম্পূৰ্ণ মুক্তিৰ স্বপ্নই বহন কৰে।

বেল হুক্সৰ "Ain't I a Woman?" শীৰ্ষক গ্ৰন্থই এই সমালোচনাক তীব্ৰতম ৰূপ দিছিল। কৃষ্ণাঙ্গ নাৰীৰ অভিজ্ঞতা কেৱল বৰ্ণবাদৰ অভিজ্ঞতাও নহয়, কেৱল লিংগবৈষম্যৰ অভিজ্ঞতাও নহয়, ই উভয়ৰে একত্ৰিত, পৰস্পৰ-সম্পৰ্কিত শোষণৰ এক অনন্য অভিজ্ঞতা। এই জটিলতাক স্বীকাৰ নকৰাকৈ নাৰীবাদ কখনো প্ৰকৃত মুক্তিৰ পথিকৃৎ হ'ব নোৱাৰে।

আনহাতে, চন্দ্ৰ তালপাড়ে মোহান্তীয়ে "পশ্চিমীয়া নাৰীবাদী আৰু ঔপনিৱেশিক দৃষ্টিভংগী" শীৰ্ষক তেওঁৰ ঐতিহাসিক প্ৰবন্ধত দেখুৱাইছিল যে পশ্চিমীয়া নাৰীবাদ প্ৰায়শঃ তৃতীয় বিশ্বৰ নাৰীক এক একক, নিষ্ক্ৰিয়, শোষিত শ্ৰেণী হিচাপে উপস্থাপন কৰে, যাৰ ফলত তেওঁলোকৰ নিজস্ব সক্ৰিয়তা, প্ৰতিৰোধ আৰু জ্ঞানকে আওকাণ কৰা হয় । এই সমালোচনাই নাৰীবাদক আৰু পৰিপক্ক কৰিছে ।

মিচেল ফুকোৱেও দেখুৱাইছিল যে ক্ষমতা কেৱল ৰাষ্ট্ৰ বা শ্ৰেণীৰ হাতত কেন্দ্ৰীভূত নহয় - ক্ষমতা বিস্তৃত, কৌশলী আৰু নিকটতম সম্পৰ্কসমূহৰ ভিতৰতো সক্ৰিয়। জুডিথ বাটলাৰে এই ফুকোবাদী ধাৰণাক নাৰীবাদৰ সৈতে সংযুক্ত কৰি "পাৰ্ফৰ্মেটিভিটি"ৰ তত্ত্ব প্ৰতিষ্ঠা কৰিলে । বাটলাৰৰ মতে, লিংগ কোনো প্ৰাক- বিদ্যমান সত্তা নহয়, ইয়াক পুনৰাবৃত্তিমূলক পাৰ্ফৰ্মেন্সৰ মাধ্যমত নিত্য-নৈমিত্তিকভাৱে নিৰ্মাণ কৰা হয়। যিটো নাৰীসুলভ বা পুৰুষসুলভ বুলি "স্বাভাৱিক" মনে হয়, সি আচলতে সামাজিক কৰ্তৃত্বৰ দ্বাৰা জাপি দিয়া এক বাৰম্বাৰ অভিনীত ভূমিকা ।

এই দৃষ্টিভংগীয়ে ভাষাৰ ভূমিকাকো নতুনকৈ প্ৰশ্নবিদ্ধ কৰে। কাৰণ আমি যি ভাষাত কথা কওঁ, সেই ভাষা নিজেই পুৰুষতান্ত্ৰিক সংকেত সমূহেৰে পৰিপূৰ্ণ। "ছোৱাউ মানুহৰ দৰে কান্দে" - এই বাক্যটোত কান্দোনক দুৰ্বলতাৰ চিহ্ন বুলি ধৰা হৈছে আৰু সেই দুৰ্বলতাক নাৰীত্বৰ সৈতে সংযুক্ত কৰা হৈছে - দুটা পৃথক কিন্তু একে সূতাৰে বন্ধা অপমান। এনে

*(বাৰপৃষ্ঠাত চাওক)*

# অভি-নীল হত্যাকাণ্ডৰ

তৰ্ক সম্পূৰ্ণ কৰিলোঁ। এতিয়া আদালতে নিৰ্ধাৰিত তাৰিখ দিছে অহা ছয় এপ্ৰিল। ৬ এপ্ৰিলত আদালতে গোচৰটোৰ ৰায়দান দিব। আমি তাৰেই অপেক্ষাত আছোঁ। জ্যেষ্ঠ অধিবক্তা কামাৰে আৰু কয়, সকলো ভালে ভালে সম্পূৰ্ণ হৈ গৈছে। আজি শুনানি সম্পূৰ্ণ হৈ গৈছে আৰু শুনানি হ'বলগীয়া নাই। এতিয়া আদালতৰ ওপৰত সকলো নিৰ্ভৰ কৰিব। আমি গোচৰটো ৩০২ ধাৰাৰ বুলি প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰিছোঁ। আমি আদালতত যুক্তি দিছোঁ যে এইটো ৩০৪ অথবা ৩২৬ ধাৰাৰ গোচৰ নহয়, এইটো ৩০২ ধাৰাৰহে। ৩০২ত প্ৰমাণ হ'লে আচামীৰ যাৱজ্জীৱন কাৰাদণ্ড অথবা মৃত্যুদণ্ড হ'ব পাৰে। সাত বছৰ গোচৰটো চলাইছোঁ, আজি অন্ত পৰাত মই সুখী। আনহাতে, নীলোৎপল দাসৰ দুৰ্ভগীয়া পিতৃ গোপাল চন্দ্ৰ দাসে সাংবাদিকৰ আগত কয়, আজি অন্তিমটো দিনৰ মুহূৰ্তত গোচৰটোৰ যি প্ৰগতি দেখিছোঁ সেই হিচাপে আমি সম্পূৰ্ণ আশাবাদী। আমি হয়তো এটা ভাল ফলাফল পাম। অপৰাধীৰ এনেকুৱা শাস্তি হ'ব লাগে যেন এনেকুৱা জঘন্য কাণ্ড সংঘটিত কৰিবলৈ অগলৈ কোনেও যাতে সাহস নকৰে। আমি অপৰাধীৰ ফাঁচি হোৱাটোকে বিচাৰোঁ। উল্লেখ্য যে সভ্য সমাজক লজ্জানত কৰি আৰু দেশৰ প্ৰচলিত আইন ব্যৱস্থাক উপহাস কৰি বিগত ২০১৮ চনৰ আঠ জুনত কাৰ্বি আংলং জিলাৰ ডকমকা আৰক্ষী থানাৰ অন্তৰ্গত পাণজুৰি গাঁৱত এদল উন্মত্ত লোকে মৰিয়াই মৰিয়াই অতি নৃশংসভাৱে হত্যা কৰিছিল গুৱাহাটীৰ দুই প্ৰকৃতিপ্ৰেমী যুৱক নীলোৎপল দাস আৰু অভিজিত নাথক।

# কোকৰাঝাৰত ৪, ৫৭০ কোটিৰ

কৰা হৈছে। তামুলপুৰতো নিৰ্মাণ কৰা হৈছে এখন মেডিকেল কলেজ। ইয়াত নতুন নতুন দলং নিৰ্মাণ হৈছে। অসমৰ প্ৰায় ১০ হাজাৰ যুৱকে অস্ত্ৰ ত্যাগ কৰি মূলসুঁতিলৈ ঘূৰি আহিছে। ইয়াৰ বিপৰীতে কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হৈ তেওঁ কয় যে কেইবা দশক ধৰি কংগ্ৰেছ দলৰ বিশ্বাসঘাতকতাৰ সাক্ষী হৈছে বড়োলেণ্ড। বড়োলেণ্ডৰ বাসিন্দাক প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি ভুৱা সপোন দেখুৱাইছিল কংগ্ৰেছে। দিল্লীৰ কংগ্ৰেছ চৰকাৰসমূহে কেৱল মানুহক দেখুৱাবৰ কাৰণেহে কাগজত চুক্তি স্বাক্ষৰ কৰিছিল। যেতিয়া আপোনালোকে কংগ্ৰেছক দেশ আৰু অসম উভয়ৰে পৰা উৎখাত কৰি বিজেপি-এনডিএক সুযোগ দিছিল, তেতিয়াই আমি আমাৰ আন্তৰিক প্ৰচেষ্টা আৰম্ভ কৰিছিলোঁ। কংগ্ৰেছে নিজৰ স্বাৰ্থপৰ ৰাজনৈতিক উদ্দেশ্যে সম্প্ৰদায়ৰ মাজত বিভেদ সৃষ্টি কৰাৰ পৰিৱৰ্তে বিজেপিয়ে স্থায়ী শান্তিৰ হকে কাম কৰিছিল। এই দৃষ্টিভংগী লৈয়েই সম্পাদন কৰা হৈছিল বড়ো শান্তিচুক্তি। যিয়ে প্ৰথমবাৰৰ বাবে সকলো প্ৰধান সংগঠনক একত্ৰিত কৰিছে। বড়ো সম্প্ৰদায়ৰ বিশ্বাস আৰু ঐতিহ্য ৰাষ্ট্ৰীয় পৰ্যায়ত সন্মানিত হোৱাটো আমাৰ চৰকাৰে নিশ্চিত কৰিছে। ঐতিহ্যপূৰ্ণ বড়ো সমাজৰ পৰম্পৰাগত আস্থা বাথৌক সন্মান দিয়া হৈছে। কংগ্ৰেছে কৰা এক গুৰুতৰ পাপ দেশ আৰু অসমৰ সুৰক্ষাৰ বাবে মাৰাত্মক ভাবুকি হৈ পৰা বুলি তেওঁ অভিযোগ কৰে। এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীৰ ভাষ্য আছিল এনেধৰণৰ- যিয়ে ৰুটী, বেটা আৰু মাটি; তিনিওটাৰে সুৰক্ষা বিপন্ন কৰি তুলিছে। কংগ্ৰেছৰ হাত সদায়েই অনুপ্ৰৱেশকাৰীৰ লগত আছিল আৰু আজিও আছে। কেইবা দশক ধৰি কংগ্ৰেছে ইয়াৰে থলুৱা বাসিন্দাক ভূমিপট্টা নিদিলে। আদিবাসীসকলৰ বহুত ভূমি কংগ্ৰেছে গতাই দিলে অনুপ্ৰৱেশকাৰীক। ধুবুৰী আৰু গোৱালপাৰাৰ দৰে জিলাৰ পৰিস্থিতি অতি ভয়ংকৰ হৈ পৰিছে। ইয়াৰ ফলত বড়োলেণ্ডত জনগাঁথনিৰ ভাৰসাম্য বিঘ্নিত হোৱাৰ লগতে সমাজলৈ সংকট নামি আহিছে। অৱশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অনুপ্ৰৱেশকাৰীৰ কবলত পৰা ভূমি উদ্ধাৰৰ বাবে অসমত চলি থকা বিশাল অভিযানৰ বাবে তেওঁ সন্তুষ্টি ব্যক্ত কৰে। তেওঁ কয় যে বিজেপি-এনডিএ চৰকাৰে অসমত থলুৱা বাসিন্দাসকলক ভূমিপট্টা প্ৰদান কৰিছে। এইক্ষেত্ৰত সহযোগিতা আগবঢ়োৱাৰ বাবে জনগোষ্ঠীয় সম্প্ৰদায়ৰ প্ৰতি মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। উপস্থিত জনসাধাৰণক উদ্দেশ্যি প্ৰধানমন্ত্ৰী মোদীৰ আহ্বান-আজি মই আসন্ন নিৰ্বাচনত কংগ্ৰেছক কঠোৰ শাস্তি বিহিবলৈ আপোনালোকক অনুৰোধ জনোৱাৰ বাবে আহিছোঁ। এটা স্পষ্ট বাৰ্তা দিয়ক। দেশত অনুপ্ৰৱেশকাৰীৰ কাৰণে কোনো স্থান নাই। অসমৰ পৰা যোৱা এই বাৰ্তাটোৱে সমগ্ৰ দেশৰ কণ্ঠস্বৰ হৈ উঠিব। অসমৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰিব বুলি মন্তব্য কৰি তেওঁ পুনৰ কয় যে অসমৰ জনসাধাৰণৰ আশীৰ্বাদত 'বিকশিত অসম'ৰ সংকল্প নিশ্চিতভাৱে পূৰণ হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰতিকূল বতৰৰ বাবে কোকৰাঝাৰত উপস্থিত হ'ব নোৱাৰাত দুখ ব্যক্ত কৰে। শেহতীয়াকৈ গুৱাহাটীত অনুষ্ঠিত বাগুৰুম্বা দহৌ অনুষ্ঠানত অংশগ্ৰহণৰ স্মৃতি সোঁৱৰণ কৰি ভাষণত তেওঁ কয় যে কেই সপ্তাহমান পূৰ্বে মই গুৱাহাটীত বিশাল বাগুৰুম্বা দহো উৎসৱত সমৃদ্ধ বড়ো সংস্কৃতিৰ অংশীদাৰ হোৱাৰ সুযোগ পাইছিলোঁ। বড়ো সম্প্ৰদায়ে কেনেদৰে নিজৰ ভাষা-সংস্কৃতি-ঐতিহ্য ইমান যত্নসহকাৰে সংৰক্ষণ কৰিছে, সেয়া প্ৰত্যক্ষ কৰি গভীৰভাৱে গৰ্বিত। বাথৌৰ আধ্যাত্মিক পৰম্পৰাই হওক বা বৈশাগু উৎসৱ, এই অনুষ্ঠানসমূহে ভাৰতৰ সাংস্কৃতিক শক্তিক আৰু অধিক মজবুত কৰে। বিজেপি-এনডিএৰ ডাবল ইঞ্জিন চৰকাৰে অসমৰ ঐতিহ্য সংৰক্ষণ তথা উন্নয়ন ত্বৰান্বিত কৰাৰ হকে অক্লান্ত পৰিশ্ৰম কৰিছে। এই অনুষ্ঠানত ৪, ৫০০ কোটিতকৈও অধিক টকা ব্যয়সাপেক্ষ প্ৰকল্পৰ উদ্বোধন-আধাৰশিলা স্থাপন কৰা হৈছে। ইয়াৰ ভিতৰত ১, ১০০ কোটিতকৈও বেছি ধনৰাশি বড়োলেণ্ডৰ পথৰ বাবে ব্যয় কৰা হ'ব। অসম মালাৰ তৃতীয় পৰ্যায় ৰাজ্যখনৰ পথ যোগাযোগ ব্যৱস্থাক আৰু অধিক শক্তিশালী কৰিব। কামাখ্যা-চাৰ্লাপল্লী, অমৃত ভাৰত এক্সপ্ৰেছ আৰু গুৱাহাটী-নিউ জলপাইগুৰি এক্সপ্ৰেছৰ ফ্লেগ অফ কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে এই প্ৰকল্পসমূহৰ দ্বাৰা সুবিধা লাভৰ সমান্তৰালভাৱে বাণিজ্য আৰু পৰ্যটন খণ্ডকো উৎসাহিত কৰিব। কৃষকৰ উৎপাদিত ফচল আৰু অতি সহজে বজাৰত উপলব্ধ হ'ব। কোকৰাঝাৰসহ এই সমগ্ৰ অঞ্চলটোৱে বিগত কেইবা দশক ধৰি বহু বেছি হেৰুৱাবলগীয়া হৈছে। আমি এনেধৰণৰ কঠিন পৰিস্থিতিও দেখিছোঁ, যেতিয়া ইয়াৰ পাহাৰসমূহত প্ৰতিধ্বনিত হৈছিল বোমা-বন্দুকৰ শব্দ। কিন্তু আজি এই দৃশ্যপটৰ পৰিৱৰ্তন ঘটিছে। এতিয়া ইয়াৰ পাহাৰসমূহত 'খাম' আৰু 'চিফুং'ৰ মধুৰ ধ্বনি প্ৰতিধ্বনিত হয়। সম্প্ৰতি বড়োলেণ্ড শান্তি-উন্নয়নৰ জোঁৱাৰৰ পথেৰে আগবাঢ়িছে। অসমে ৰচনা কৰিছে শান্তি-উন্নয়নৰ এক নতুন অধ্যায়। আজি উদ্বোধন-আধাৰশিলা স্থাপন কৰা উন্নয়নমূলক প্ৰকল্পসমূহৰ প্ৰসংগও তেওঁ উল্লেখ কৰে। বিশেষকৈ বিটিআৰত ৬টা গুৰুত্বপূৰ্ণ পথ প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ লগতে ৰে'ল যোগাযোগ ক্ষিপ্ৰতৰ কৰি তুলিবলৈ গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা বুলি মন্তব্য কৰি তেওঁ কয় যে ইয়াতে স্থাপন হ'বলগীয়া ৰে'লৰে ৱৰ্কশপে অঞ্চলটোক এটা ডাঙৰ লজিষ্টিক চেণ্টাৰলৈ পৰিণত কৰিব। ভূটানক সংযোগ কৰিবলগীয়া ৰে'ললাইনৰো কাম চলি আছে। বহু ষ্টেচনৰ আধুনিকীকৰণ হৈ আছে। বন্দে ভাৰত আৰু ৰাজধানী এক্সপ্ৰেছৰ দৰে কোকৰাঝাৰত ৰখায়, যিটো বড়োলেণ্ডত উন্নত যোগাযোগৰ চাক্ষুষ প্ৰমাণ। এনেধৰণৰ প্ৰকল্পসমূহৰ জৰিয়তে কোকৰাঝাৰ বাণিজ্যৰ এটা প্ৰধান কেন্দ্ৰ হৈ পৰিব। বিকাশমূলক এনেধৰণৰ কামৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ টীমক তেওঁ অভিনন্দন জ্ঞাপন কৰে। উল্লেখ্য যে এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

# নামনি মাজুলীৰ

কাৰ্যসূচীৰে কালিৰ পৰা পাঁচ দিনীয়াকৈ আৰম্ভ হোৱা উক্ত পঃৰাগ উৎসৱত আজি আমন্ত্ৰিত কৃষ্টি দলৰ সাংস্কৃতিক অনুষ্ঠানে পঃৰাগ উৎসৱ থলী আজি মুখৰিত হৈ পৰিছে। পঃৰাগ উৎসৱৰ দ্বিতীয় দিনা উৎসৱ থলীত পৰিৱেশ নিকাকৰণৰ পাছত এগ মান্নাম আৰু গুমৰাগ নৃত্য প্ৰদৰ্শন কৰা হয়। তাৰপিছত গাঁৱৰ জী- জোঁৱাই -সকলৰ সেৱা গ্ৰহণৰ পিছত পঃৰাগ উৎসৱৰ স্মৃতি গ্ৰন্থ উন্মোচন কৰে ৰঙাচাহী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° দুৰ্লভ পেগুয়ে । উক্ত, উন্মোচনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক আনন্দ টায়ুং, লক্ষীন্দৰ দলে, হৰেন বৰুৱা, খগেন হাজৰিকা, দেৱৰাম দলে, বুদ্ধিন পেগু, সাংবাদিক যদু কলিতাই অংশগ্ৰহণ কৰে। বিয়লি দুই বজাৰ পৰা পঃৰাগ উৎসৱলৈ আমন্ত্ৰণ জনোৱা কৃষ্টি দল ওখল চুক আৰু মহৰিচুক কৃষ্টি দলে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। আমন্ত্ৰিত কৃষ্টি দলক বিদায় জনোৱাৰ পিছত সন্ধিয়া বৰ্ণাঢ্য সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়। উক্ত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে পূৱ ডিক্ৰুং মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক কমল মিলিয়ে । উক্ত, সাংস্কৃতিক সন্ধিয়াত শিল্পী ৰিয়ান ৰাজ আৰু অৱনী মিলিয়ে গীত পৰিৱেশন কৰে। হেজাৰ হেজাৰ লোকে উক্ত সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰে। পঃৰাগ উৎসৱৰ কাইলৈ ১৩ মাৰ্চত পুৱা এগ মান্নাম আৰু গাঁৱৰ জীয়ৰী আৰু জোঁৱাই -সকলৰ অনুষ্ঠান, কৃষ্টি দলৰ সাংস্কৃতিক অনুষ্ঠান, মিনম অঃপেক বিদায় অনুষ্ঠান আৰু সন্ধিয়ালৈ স্থানীয় শিল্পীসকলে সাংস্কৃতিক অনুষ্ঠান ৰূপায়ন কৰিব। ১৪ মাৰ্চত পুৱা এগ মান্নাম আৰু গাঁৱৰ বোৱাৰীসকলৰ অনুষ্ঠান, গাঁৱৰ বয়োজ্যেষ্ঠসকলৰ লগত প্ৰীতি ভোজ আৰু সন্ধিয়া স্থানীয় শিল্পীসকলে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব। ১৫' মাৰ্চত এগ মান্নাম আৰু ৰজাঘৰীয়া বিষয়ববীয়াসকলৰ প্ৰীতি ভোজ আৰু ৰজাঘৰীয়া বিষয়ববীয়াসকলৰ বিদায় পৰ্ব অনুষ্ঠিত হ'ব। সেইদিনা সন্ধিয়া সামূহিক বন্তি প্ৰজ্বলনেৰে পাঁচ দিনীয়া প:ৰাগ উৎসৱৰ সামৰণী পৰিব। উক্ত, পঃৰাগ উৎসৱৰ সুদৃশ্য মূল আদৰণী তোৰণ, মুৰং ঘৰ আদিয়ে সকলোকে মুগ্ধ কৰিছে। সমগ্ৰ কৰিতিপাৰ অঞ্চলটো উক্ত পঃৰাগ উৎসৱৰ বাবে উৎসৱ মুখৰ হৈ পৰিছে।

# বিজেপিৰ মুখ্য কাৰ্যালয়

কাৰ্যসূচী। সভাপতি দিলীপ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত এই অনুষ্ঠানত বিজেপিত আনুষ্ঠানিকভাৱে যোগদান কৰিলে প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সাধাৰণ সম্পাদক কন্দৰ্প কলিতা, এনচিপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি হৃদয়ানন্দ গগৈ, সমাজকৰ্মী নৃপেন দাস, গোৰ্খা ছাত্ৰ সন্থাৰ উপ-সভাপতি দিলীপ গজুৰেল, কংগ্ৰেছ কৰ্মী সুৰেন চহৰীয়া, অৱসৰপ্ৰাপ্ত অভিযন্তা শৰৎ চন্দ্ৰ কলিতা, সমাজকৰ্মী কাব্যশ্ৰী শৰ্মা, কণ্ঠশিল্পী হিয়া মেধি, শুভম গগৈ, অভিনেতা বিতোপন শইকীয়া, মিতু কাশ্যপ, বিকাশ ৰাজবংশী, নৃত্য পৰিচালক ৰূপমজ্যোতি বৰুৱাকে ধৰি কেইবাজনো ব্যক্তিয়ে। অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, দলৰ সাধাৰণ সম্পাদক অনুপ বৰ্মন, বিধায়ক পদ্ম হাজৰিকা, পৰমানন্দ ৰাজবংশী আৰু কেইবাজনো জ্যেষ্ঠ নেতা উপস্থিত থাকে।

# শুৱালকুছি শাখা লেখিকা

শুৱালকুছিৰ এম এছ একাডেমিত আবেলি তবজাত উক্ত দিনত দুগৰাকী মহিয়ষী অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী ক্ৰমে কনকলতা দাস বাইদেউ আৰু গৌৰী কলিতা বাইদেউক সম্বৰ্দ্ধনা জনোৱাৰ লগতে এখন শিশুগ্ৰন্থ উন্মোচিত হয়। উন্মোচনী অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক শ্ৰদ্ধাৰ অতুল চন্দ্ৰ দাস ছাৰ। শাখা সংস্থাৰ সম্পাদিকা মঞ্জু কাকতীয়ে সভাখনৰ আঁতধৰে লগতে সভানেত্ৰী নীলিমা দাস আৰু প্ৰাক্তন সভাপতি কুমাৰী কামদা বৈশ্যৰ সভাপতিত্বত সভাখন পৰিচালিত হয়। শাখাৰ সন্মানীয় বিষয় বাবত থকা ক্ৰমে- শ্ৰদ্ধাৰ মিনতি দাস মেধি, মিনাক্ষী দাস বৰুৱা, ৰুণু বৈশ্য দাস, যমুনা দুলু বৈশ্য ,জ্যোৎস্না দাস , ইলা ভৰালী ডেকা, স্বৰ্ণময়ী কলিতা, জোনালী দাস চৌধুৰী, উৰ্মীমালা দেৱী, নমিতা দাস, ৰঞ্জু দাস মড়ল, অনামিকা (সংগীতা)কলিতা আৰু সাধাৰণ সদস্যা সকল ক্ৰমে- শ্ৰদ্ধাৰ বিভা মড়ল, সুশীলা কলিতা, হীৰামণি বৈশ্য, মমী মহন্ত, ভনিমা দাস, ৰুণুমী কলিতা, ৰশ্মী ৰাণী বৈশ্য, তৰালী ভৰালী, বিঞ্জু মহন্ত, কল্পনা ঠাকুৰীয়া , ববী কাকতি, চন্দনা দেৱী, বিনীতা কলিতা কুমাৰ, মিনু কলিতা আদিয়ে সমবেত সংগীত, কবিতা পাঠ, গল্প পাঠ, মনৰ অনুভৱ গীত মাত আদি পৰিৱেশন কৰি অনুষ্ঠানতো জীপাল কৰি তোলে ।

# দুদিনীয়া ভ্ৰমণসূচীৰে

মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'বলগা যুৱ সন্মিলনক সম্বোধন কৰিব কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে। ইয়াৰ পূৰ্বে গৃহমন্ত্ৰীগৰাকীয়ে প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়খন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। ইয়াৰ পিছতে দুপৰীয়াৰ ভাগত খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ত যুব সন্মিলনক সম্বোধন কৰিব। আজিৰ সন্মিলন সন্দৰ্ভত মন্ত্ৰী পীযূষ হাজৰিকাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি ৩৫ বছৰ অনুৰ্ধৰ প্ৰায় ডেৰ লাখ যুৱক-যুৱতীয়ে এই সন্মিলনত অংশগ্ৰহণ কৰিব। ১৮ বছৰ উৰ্দ্ধৰ আৰু ৩৫ বছৰ তলৰ যুৱ প্ৰজন্মই কিদৰে বিজেপিক সমৰ্থন কৰে সেয়া আজিৰ সমাৰোহতে স্পষ্ট হৈ পৰিব। মন কৰিবলগীয়া যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গুৱাহাটীত উপস্থিত হোৱাৰ পূৰ্বেই গুৱাহাটীলৈ আগমন ঘটিছে বিজেপি যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি তেজস্বী সূৰ্যৰ। আজিৰ সমাবেশত অমিত শ্বাহৰ লগতে তেজস্বী সূৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ লগতে কেইবাজনো বিজেপিৰ জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰিব। ইফালে অমিত শ্বাহৰ আগমনক লৈ সামাজিক মাধ্যমযোগে গৃহমন্ত্ৰীগৰাকীক আদৰণি জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই লিখিছে- কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক মা কামাখ্যা আৰু শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ ভূমিলৈ আন্তৰিক স্বাগতম জনাইছোঁ। তেওঁৰ এই ভ্ৰমণৰ জৰিয়তে অসমত বিভিন্ন গুৰুত্বপূৰ্ণ উন্নয়নমূলক প্ৰকল্প জাতিৰ বাবে উৎসৰ্গা কৰা হ'ব। লগতে তেওঁৰ প্ৰেৰণাদায়ক বাণীয়ে আমাৰ যুৱশক্তিক নতুন উদ্যম আৰু দিক্-নিৰ্দেশনা প্ৰদান কৰিব। গুৱাহাটীত উপস্থিত হোৱা গৃহমন্ত্ৰী অমিত শ্বাহে কইনাধৰাস্থিত ৰাজ্যিক অতিথিশালাত আগন্তুক নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ লগতে ৰাজ্যিক বিজেপিৰ নেতৃত্বৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত অংশ লয়। মুখ্যতঃ প্ৰাৰ্থী তালিকা সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত লোৱাৰ লক্ষ্যৰে অনুষ্ঠিত এই আলোচনাত কেইবাটাও সমষ্টিত দলৰ প্ৰাৰ্থিত্বকেন্দ্ৰিক বেমেজালি দূৰ কৰাৰ বাবেও আলোচনা হয়। আনহাতে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মিত্ৰদল অগপৰ সৈতে আসন বুজাবুজিৰ ক্ষেত্ৰতো অগপ নেতৃত্বৰ সৈতে বৈঠকত মিলিত হয় বুলি জানিব পৰা গৈছে। সমান্তৰালভাৱে বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰী আৰু ইউপিপিএলৰ সভাপতি প্ৰমোদ বড়োৰ সৈতেও গৃহমন্ত্ৰীগৰাকীয়ে দীঘলীয়া আলোচনা কৰা বুলি জানিব পৰা গৈছে।

# বিশিষ্ট বৌদ্ধ পণ্ডিত

অৱসৰ গ্ৰহণ কৰি ডিব্ৰুগড়ৰ এটি ভাড়াঘৰত থাকি সাহিত্যচৰ্চা কৰি জীৱন কটোৱা গগৈৰ মৃত্যুত অসমে এজন অসাধাৰণ ব্যক্তি হেৰুৱালে। অবিবাহিত গগৈয়ে মৃত্যুৰ সময়ত চাৰি গৰাকী ভগ্নীৰ লগতে পৰিয়ালৰ অনেক আত্মীয়ক ইহ সংসাৰত এৰি যায়। তেখেতৰ মৃত্যুত "ৰয়েল আহোম ছ'ছাইটি", "বৌদ্ধ ঐক্য সমাজ" অসম আৰু ডিব্ৰুগড়ৰ চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

# বিৰোধীয়ে '৩১ৰ বাবেহে

পুনৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুয়োটা দলৰ আসন বুজাবুজি সম্পন্ন হৈছে বুলি স্পষ্ট কৰিলে। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- আমাৰ মতে এয়া চূড়ান্ত, ইয়াত আলোচনা কৰাৰ কোনো অৱকাশ নাই। মই অগপক স্পষ্ট কৰি দিছোঁ যে কোনকেইখন আসনত তেওঁলোকে প্ৰতিদ্বন্দ্বিতা কৰিব। যদি অগপই ইয়াৰ উপৰি আন আসন বিচাৰে, তেনেহ'লে সেই আসনসমূহত বন্ধুত্বমূলক প্ৰতিদ্বন্দ্বিতা হ'ব। মুখ্যমন্ত্ৰী হিচাপে আসনক লৈ এয়া মোৰ সিদ্ধান্ত। মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াকো উল্লেখ কৰে যে অগপই দুই-এখন আসনক লৈ আলোচনা কৰিব বিচাৰে যদিও তেনে আলোচনাৰ প্ৰয়োজন নাই বুলি উল্লেখ কৰা হৈছে। তেওঁলোকক কৈছোঁ- যদি কষ্ট হয় তেন্তে, আপোনালোকে সেই আসনকেইখনত বন্ধুত্বমূলক প্ৰতিদ্বন্দ্বিতা কৰক। মুখ্যতঃ দুখন আসনৰ কথাই তেওঁলোকে উল্লেখ কৰি আছে। কিন্তু এই আসন দুখন যিহেতু আমি এৰি দিব নোৱাৰোঁ, সেয়েহে দুয়োটা দলে আসন দুখনত প্ৰতিদ্বন্দ্বিতা কৰিব। মুখ্যমন্ত্ৰীয়ে ইয়াকো উল্লেখ কৰে যে এইবাৰ আসন বুজাবুজিত অগপই তেওঁলোকৰ বৰ্তমানৰ বিধায়কতকৈ বহু বেছি আসন লাভ কৰিছে। ৯জন বিধায়কৰ বিপৰীতে অগপই ২০-২২খন আসনতকৈও অধিক আসন পাব এই বুজাবুজিত। বিজেপিয়ে অগপক ক্ষতি কৰাৰ কাম নকৰে। ইফালে অগপৰ সকলো বিধায়কে এইবাৰ প্ৰাৰ্থিত্ব পাব নে নাই, সেই প্ৰসংগত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়- অগপইহে প্ৰাৰ্থিত্ব দিব, ইয়াত আমাৰ ক'বলগা নাই। উদাহৰণ স্বৰূপে যদি আমি তেজপুৰ সমষ্টিটো এৰি দিওঁ তাত অগপই তেওঁলোকৰ বৰ্তমানৰ বিধায়কক প্ৰাৰ্থিত্ব দিবও পাৰে, নিদিবও পাৰে, সেয়া তেওঁলোকৰ কথা।

# চাহ শ্ৰমিকক সেৱা জনাই ভূমিপট্টা

যদি চাহ বাগিচাত কাম কৰি সুদূৰ গুজৰাটত থকা মোৰ গাঁৱলৈ চাহপাত পঠিয়াইছিলে, সেই চাহপাতেৰে চাহ বনাই বিক্ৰী কৰি কৰি আজি মই এই পৰ্যায়ত উপনীত হৈছোঁ। যদি চাহ বাগিচাৰ শ্ৰমিকসকলে পৰিশ্ৰম কৰি চাহপাত উৎপাদন নকৰিলে হয়, মই এই অৱস্থালৈ আহিব পাৰিলোঁ হয়নে? মা কামাখ্যাৰ এয়াই কৃপা যে মই আজি চাহ বাগিচাৰ শ্ৰমিক ভাইসকলক ভূমিপট্টা প্ৰদান কৰি ঋণৰ পৰা মুক্ত হোৱাৰ সুযোগ পালোঁ। উল্লেখ্য যে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা চাহ শ্ৰমিকৰ ভূমিপট্টা বিতৰণৰ এই প্ৰক্ৰিয়াৰ জৰিয়তে ৩.৫ লাখ চাহ শ্ৰমিক পৰিয়ালে ভূমিপট্টা লাভ কৰিব। লক্ষণীয়ভাৱে মঞ্চলৈ ভূমিপট্টা ল'বলৈ অহা সুশীলা গোৱালাৰ চৰণ স্পৰ্শ কৰি মাতৃ সমাজলৈ অনন্য সন্মান প্ৰদৰ্শন কৰিলে প্ৰধানমন্ত্ৰী মোদীয়ে। ইয়াৰ পূৰ্বে অসমীয়াত ভাষণ আৰম্ভ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে গ্ৰহণ কৰা কঠোৰ স্থিতিক সমৰ্থন কৰি কয়- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অনুপ্ৰৱেশকাৰীয়ে দখল কৰা ভূমি উদ্ধাৰৰ এক বিশাল অভিযান চলি আছে। কংগ্ৰেছৰ হাত সদাই এইসকল অনুপ্ৰৱেশকাৰীৰ সৈতে আছিল আৰু আজিও আছে। দশক দশক ধৰি কংগ্ৰেছে অসমৰ খিলঞ্জীয়া লোকসকলক ভূমিৰ পট্টা প্ৰদান কৰা নাছিল। বিজেপি-এনডিএ চৰকাৰ খিলঞ্জীয়া লোকসকলৰ সৈতে থিয় দি ভূমি পট্টা প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী মোদীয়ে গুৱাহাটীৰ জ্যোতি-বিষ্ণু কলাকেন্দ্ৰৰ অনুষ্ঠানৰ পৰাই ১, ৯৪, ৮০০ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। তেওঁ ভাষণত কয়- মা কামাখ্যাৰ আশীৰ্বাদত ১, ৯৪, ৮০০ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা আৰু উদ্বোধনী কাম অতি সোনকালে সম্পন্ন কৰা হ'ব। অসমক শক্তিখণ্ডত আত্মনিৰ্ভৰশীল কৰাৰ লক্ষ্যৰে ইতিমধ্যে এক বিশাল প্ৰকল্প লাভ কৰিছে। সমান্তৰালভাৱে চাহ শ্ৰমিক আৰু কৃষকসকলেও এই চৰকাৰৰ দিনত আৰ্থিকভাৱে সকাহ আৰু সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰী কিষান সন্মান নিধি আঁচনিৰ অধীনত ১৮ হাজাৰ কোটিতকৈ অধিক ধন কৃষকৰ একাউণ্টলৈ পোনপটীয়াকৈ হস্তান্তৰ হৈছে। উল্লেখ্য যে প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে আনুষ্ঠানিকভাৱে ১২০ মেগাৱাট নামনি কপিলী জলবিদ্যুৎ প্ৰকল্প, উত্তৰ-পূব গেছ গ্ৰীড প্ৰকল্প-নুমলীগড়-শিলিগুৰি প্ৰডাক্ট পাইপলাইন প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে নুমলীগড় শোধনাগাৰ লিমিটেডৰ ৰে'লৱাইন সংযোগী পিঅ'এল টাৰ্মিনেলৰ শিলান্যাস আৰু ফৰকাটিং-তিনিচুকীয়া ৰে'লৱে লাইন দ্বৈতকৰণৰ শিলান্যাস কৰে। তদুপৰি প্ৰধানমন্ত্ৰীয়ে ৰঙিয়া-মুৰ্কংচেলেক, চাপৰমুখ-ডিব্ৰুগড়, বদৰপুৰ-শিলচৰ, বদৰপুৰ-চুড়াইবাড়ী ৰে'লপথৰ বৈদ্যুতিকৰণৰ লোকাৰ্পণ কৰাৰ লগতে ভাৰ্চুৱেলী উদ্বোধন কৰে। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে পাণ্ডু বন্দৰৰ চৌহদৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথ ২৭লৈ এলিভেটেড ৰোড আৰু বিশ্বনাথ ঘাটত ক্ৰুজ টাৰ্মিনেলৰ আধাৰশিলা স্থাপন কৰাৰ উপৰি ডিব্ৰুগড়ত আঞ্চলিক উৎকৰ্ষতা কেন্দ্ৰ আৰু নিমাতীত ক্ৰুজ টাৰ্মিনেলৰ ভূমি পূজন কৰে। লগতে প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰ্চুৱেলী মহানগৰীৰ বেতকুছিত ২৯৮ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত একতা মলৰো উদ্বোধন কৰে।

# ৫,৭৫৪ গৰাকী প্ৰাৰ্থীক

মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ কাৰ্যকালত সম্পূৰ্ণ স্বচ্ছ আৰু মেধাভিত্তিক এই নিয়োগ প্ৰক্ৰিয়া ৰাজ্যৰ প্ৰশাসনীয় ইতিহাসত এক বিৰল, অবিস্মৰণীয় আৰু ঐতিহাসিক উদাহৰণ হৈ থাকিব বুলি মন্তব্য কৰে। তেওঁ কয় যে ক'ভিড মহামাৰীৰ সময়ছোৱাত ৰাজ্যৰ অৰ্থনীতি আৰু জনসাধাৰণৰ জীৱন-জীৱিকালৈ এক অভাৱনীয় দুৰ্যোগ নামি আহিছিল আৰু তেনে এক পৰিৱেশৰ মাজতে ২০২১ চনত অনুষ্ঠিত বিধানসভা নিৰ্বাচনত জনসাধাৰণক শাসনলৈ আহিলে ৰাজ্যৰ ১ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তি আৰু মাক্ৰ'ফাইনেঞ্চৰ ধনৰ বোজাৰ পৰা ঋণগ্ৰস্ত মহিলাসকলক মুক্তি দিয়াৰ প্ৰতিশ্ৰুতি দিছিলোঁ। বহু লোকে এই দুয়োটা প্ৰতিশ্ৰুতি পূৰণ সম্ভৱ নহয় বুলি অভিমত ব্যক্ত কৰিছিল আৰু অসম বিধানসভাতো বিৰোধী পক্ষই এই সন্দৰ্ভত বিভিন্ন প্ৰশ্ন উত্থাপন কৰিছিল। শাসনলৈ অহাৰ পিছত বৰ্তমানৰ ৰাজ্য চৰকাৰে এই দুয়োটা প্ৰতিশ্ৰুতি পূৰণৰ দিশত নিষ্ঠা আৰু সততাৰে কাম আৰম্ভ কৰি কাৰ্যকালৰ প্ৰথম তিনিটা বছৰৰ ভিতৰতে লক্ষ্যত উপনীত হ'বলৈ সক্ষম হৈছিল। আমাৰ চৰকাৰখনে কাৰ্যকালৰ অন্তিম দিনকেইটাত উপনীত হৈছে। আজিৰ এই সভাখনেই হৈছে নিযুক্তি প্ৰক্ৰিয়াৰ অন্তিমখন সভা। আজি মই অত্যন্ত বিনম্ৰতাৰে আৰু গৌৰৱেৰে জনাব খোজোঁ যে চৰকাৰী চাকৰিত ৰ লাখ যুৱক-যুৱতীক নিযুক্তি প্ৰদানৰ প্ৰতিশ্ৰুতি অতিক্ৰমি আমি ১ লাখ ৬৪ হাজাৰ ৪২৩গৰাকীক নিযুক্তি দিবলৈ সক্ষম হৈছোঁ। কোনোধৰণৰ অনিয়মৰ অভিযোগ নুঠা এইটোৱেই হৈছে দেশৰ সৰ্ববৃহৎ নিযুক্তি প্ৰক্ৰিয়া। আমাৰ চৰকাৰে ৰাজ্যৰ প্ৰতিটো বিভাগতে নিকা নিযুক্তি আৰু প্ৰতিবছৰে নিযুক্তি প্ৰদান প্ৰক্ৰিয়া অব্যাহত ৰাখি এক নতুন ইতিহাস ৰচিবলৈ সক্ষম হৈছে। আমি সকলোৱে মিলি আগন্তুক দিনসমূহতো এই যাত্ৰা অব্যাহত ৰাখিব লাগিব। ৰাজ্যৰ শিক্ষাখণ্ডক উজ্জীৱিত কৰাৰ দিশত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ কথা উল্লেখ কৰি তেওঁ কয় যে বিগত পাঁচ বছৰত এই খণ্ডটোত প্ৰায় ৯৫ হাজাৰ নতুন শিক্ষক নিযুক্তি দিয়া হৈছে। অসমীয়া মাধ্যমৰ বিদ্যালয় তথা ৰাজহুৱা শিক্ষা ব্যৱস্থাত এনে বৃহৎ নিযুক্তি সম্ভৱ হ'ব বুলি কোনেও কল্পনা কৰিব পৰা নাছিল। ৰাজ্যৰ শিক্ষাখণ্ডৰ সবলীকৰণৰ লগতে শিক্ষক, অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীৰ মাজত সু-সমন্বয় গঢ়াৰ বাবে লোৱা প্ৰচেষ্টাৰ ইতিবাচক ফল ইতিমধ্যে দেখিবলৈ পোৱা গৈছে। সম্প্ৰতি ৰাজ্যত আধাতে শিক্ষানুষ্ঠান এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পোৱাৰ উপৰি ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ প্ৰতি জনসাধাৰণৰ আস্থাও বৃদ্ধি পাইছে। ৰাজ্যত আগন্তুক সময়ত নতুনকৈ ৬৫ হাজাৰ শিক্ষক নিযুক্তি দিয়াৰ প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব। উদ্যমিতা আৰু দক্ষতা বৃদ্ধিৰে ৰাজ্যৰ নৱপ্ৰজন্মক মানৱ সম্পদৰূপে গঢ়ি তোলাৰ এক নতুন প্ৰচেষ্টা অসমত আৰম্ভ হৈছে বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে। তেওঁ কয় যে অসমত উদ্যোগীকৰণৰ এটা নতুন পৰিৱেশ সৃষ্টি হৈছে। বিকাশ, শিক্ষাখণ্ডৰ সংস্কাৰ, স্বাস্থ্যখণ্ডত নতুন আন্তঃগাঁথনি সংযোজন, উন্নত যাতায়াত ব্যৱস্থা, প্ৰযুক্তিৰ ব্যৱহাৰ আদিৰেহে দেশৰ এখন অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে অসমে নিজৰ পৰিচয় দাঙি ধৰিব পাৰিব। ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত একাধিক দলং নিৰ্মাণ, গুৱাহাটীকে ধৰি বিভিন্ন স্থানত উৰণ সেতু নিৰ্মাণ, চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ, বানপানীৰ প্ৰকোপৰ পৰা ৰাজ্যখনক ৰক্ষা কৰাৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টা তথা পদক্ষেপ আদিৰ কথাও উল্লেখ কৰে। তেওঁ লগতে কয় যে এসময়ত ৰাজ্যত এটা দিনত বিদ্যুৎ যোগান ১২ ঘণ্টাও সম্ভৱ নাছিল। কিন্তু ৰাজ্য চৰকাৰে বিগত সময়ছোৱাত লোৱা পদক্ষেপৰ বাবে এতিয়া ২৩ ঘণ্টা পৰ্যন্ত বিদ্যুৎ যোগান সম্ভৱ হৈ উঠিছে। ড° শৰ্মাই কয়-'আমি যোৱা পাঁচ বছৰত এখন নতুন অসম নিৰ্মাণৰ পৃষ্ঠভূমি তৈয়াৰ কৰিছোঁ। আমি এনে এখন অসম নিৰ্মাণ কৰিব লাগিব যিখনে নিজ কৰ্তব্য পথত অটল, অবিচল হৈ থাকি অনিৰুদ্ধ গতিৰে আগুৱাই যাব।' অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনৰ উপৰি শিক্ষা বিভাগৰ আয়ুক্ত তথা সচিব নাৰায়ণ কোঁৱৰ, এপিডিচিএলৰ পৰিচালন সঞ্চালক ৰাকেশ কুমাৰকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

## ENGLISH NEWS SECTION

# Governor attends 24th Convocation of Dibrugarh University




Guwahati,RB News: Assam Governor and Chancellor of Dibrugarh University, Shri Lakshman Prasad Acharya, attended the 24th Convocation Ceremony of Dibrugarh University held at Dibrugarh. Addressing the convocation, Governor Shri Acharya congratulated the graduating students and described the convocation as a celebration of their dedication, perseverance and academic achievement. He also congratulated renowned surgeon Dr. Sarbeswar Bhuyan who was conferred the honorary Doctor of Science (D.Sc.) degree, and eminent poet and writer Smt. Mamang Dai, who was awarded the honorary Doctor of Literature (D.Litt.) degree, in recognition of their outstanding contributions to society and literature. In his address, the Governor emphasized that the true purpose of education is not only the acquisition of knowledge but also the development of character and values. Referring to the ancient Indian ideal "Sa Vidya Ya Vimuktaye," he said that true education liberates individuals from ignorance and broadens their perspective towards society and nation-building. Highlighting India's rapid transformation driven by innovation, science, entrepreneurship and technology, the Governor said that the energy and talent of the youth are the country's greatest strength. He noted that India is working towards the vision of building a Viksit Bharat by 2047, and the contribution of young minds will be crucial in achieving this national goal.

## KKR announce Mustafizur Rahman's replacement



RB News: Zimbabwe pacer Blessing Muzarabani has been signed by Kolkata Knight Riders (KKR) for the upcoming Indian Premier League (IPL) season, the franchise announced on Friday. Muzarabani is a likely replacement for Bangladesh pacer Mustafizur Rahman, who was released from the KKR squad on BCCI's instructions following political tensions between India and Bangladesh. Last year, Muzarabani had joined RCB as temporary replacement of Lungi Ngidi. KKR had terminated Mustafizur's contract after attacks on religious minorities in Bangladesh.

## Former AIFF General Secretary Kushal Das passes away at 66



RB News: Veteran administrator and former All India Football Federation (AIFF) General Secretary Kushal Das passed away at the age of 66 in Delhi on Friday. He played a significant role in organising the 2017 FIFA Under-17 World Cup in India. Das is survived by his wife and two sons. He served as the general secretary of the AIFF for 12 years before stepping down in 2022 due to unspecified health reasons. During his tenure, he oversaw several major developments in Indian football administration and helped secure hosting rights for multiple international tournaments.

## Indian footballer Ravinder Singh passes away



RB News: Footballer Ravinder Singh, who was contracted to Namdhari FC in the Indian Football League, has passed away at the age of 25. Ravinder died due to a sudden cardiac arrest while playing in a local league match in Punjab earlier this week. Ravinder, who hailed from the village of Majri in Punjab's Ludhiana district, collapsed on the pitch with chest pain while playing in a local tournament. He was declared dead by doctors on Wednesday.

## Gujarat Titans appoint ex-wicketkeeper Vijay Dahiya as assistant coach



RB News Gujarat Titans have appointed former India wicketkeeper-batter Vijay Dahiya as assistant coach ahead of the IPL 2026 season. A respected name in Indian cricket, Dahiya represented India national cricket team in 19 ODIs and two Tests. He also enjoyed a successful domestic career with Delhi cricket team before moving into coaching. Notably, Dahiya previously served as assistant coach with the Kolkata Knight Riders and the Lucknow Super Giants.

## Sumit bags gold at World Para Athletics GP



RB News: Double Paralympic Games gold medallist Sumit Antil clinched gold in Men's Javelin throw at World Para Athletics Grand Prix in New Delhi, with a 69.25 metre throw. The 27-year-old from Haryana had won gold at 2020 and 2024 Paralympics. Fellow Indians Pushpendra Singh and Poonam Ram completed the podium with silver and bronze respectively. Antil admitted that his winning throw was better than he had expected. "This time we have multiple tournaments lined up. I will try to perform well in the upcoming competitions. It is an off-season loading phase for me.

## India qualify for Women's Hockey World Cup after win over Wales



RB News:India secured their place at the Women's Hockey World Cup 2026 after a 4-1 victory against Wales in the FIH Hockey Women's World Cup Qualifiers 2026 in Hyderabad on Wednesday. Navneet Kaur scored a hat-trick while Sakshi Rana completed the scoreline for the Indian women's hockey team. Betsan Thomas scored the only goal for Wales. Though India had already secured a semi-final berth heading into Wednesday's fixture, the result ensured they finished as table-toppers in Pool B.

# নাৰী দিৱস, নাৰীবাদ

ভাষাৰ কাঠামোকেই নাৰীবাদ উন্মোচন কৰিব বিচাৰে ।

বেল হু'ৰ এটা কথা বিশেষভাৱে উল্লেখযোগ্য - "নাৰীবাদ সকলোৰেই কাহিনী।" পুৰুষতন্ত্ৰ কেৱল নাৰীক ক্ষতিগ্ৰস্ত নকৰে, ই পুৰুষকো এক কৃত্ৰিম ভূমিকাত বন্দী কৰি ৰাখে । "পুৰুষে কান্দিব নালাগে", "পুৰুষ দুৰ্বল হ'ব নালাগে", "পুৰুষেই পৰিয়ালৰ ভৰণপোষণ কৰিব লাগে" - এই সাংস্কৃতিক আদেশসমূহে পুৰুষৰ আৱেগিক জীৱনক বন্ধ্যা কৰি পেলায়, তেওঁলোকৰ সংবেদনশীলতাৰ ক্ষমতাক দমন কৰে।

সেয়েহে নাৰীবাদ আচলতে মানৱতাবাদৰ এক পৰিপূৰ্ণ ৰূপ। যি ক্ষণত আমি নাৰীবাদী দৃষ্টিকোণৰ পৰা পৃথিৱীখন দেখো, তেতিয়া দেখো যে - সহমৰ্মিতা, যত্ন, পৰস্পৰনিৰ্ভৰতা, স্বীকৃতি- এইবোৰ মূল্য কেৱল নাৰীৰ বাবে প্ৰযোজ্য নহয়, এইবোৰ প্ৰকৃত মানৱিক সম্পৰ্কৰ ভেটি।

বৰ্তমান বিশ্বত নাৰীবাদ এক নতুন ৰণক্ষেত্ৰত নামি আহিছে - ডিজিটেল স্থান। #MeToo আন্দোলনে দেখুৱালে যে যৌন হিংসাৰ ভাষা পোৱাটো, সেই ভাষাত নিজৰ অভিজ্ঞতাক নামাকৰণ কৰাটো, কিমান মৌলিকভাৱে মুক্তিদায়ক হ'ব পাৰে। লক্ষ লক্ষ নাৰীয়ে একেলগে কোৱা "মই"- এই দুটি শব্দই পৃথিৱীৰ ক্ষমতাকাঠামোক কঁপাই দিছিল।

আগলৈ...

# ৮মাৰ্চ নাৰী দিৱস আৰু

১০) ঘৰতে শাক পাচলি খেতি পৰিয়ালৰ লগতে ওপৰঞ্চি খিনি বিক্ৰী কৰা।

আন এটা উল্লেখনীয় দিশ এমুঠি নাৰী আছে তেওঁলোকৰ কৰ্মকাণ্ডৰ কাৰণে গোটেই নাৰী জাতিয়ে বেয়া ফল ভোগ কৰিব লগা হয় । ভাৰ্চুৱেল জগতখনত তেওঁলোকৰ কৰ্মকাণ্ডইও আচৰিত কৰে। ভাল বেয়া ধনাত্মক ঋণাত্মক দুয়োটা দিশ থাকিবই প্ৰয়োজন সমাজখনত শুদ্ধপথত থাকি আমি নাৰী সকলে আদৰ্শ দাঙি ধৰা। ভাবিব লাগিব আমি নাৰী সকল এক সত্তা সমাজ তথা দেশৰ প্ৰগতিৰ পথৰ অৰিহনা যোগোৱা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছোঁ আৰু থাকিম । তাৰ কাৰণে আমি সদায় আমাৰ বিচাৰ বুদ্ধি শুদ্ধ পথতহে বিচৰণ কৰিম। আমাক কোনেও দমন কৰিব নোৱাৰিব কিন্তু আমাৰ ভুল হ'লে আমাক কোনোবাই দেখুৱাই দিলে সেয়া গ্ৰহণ কৰিবলৈ প্ৰস্তুত থাকিব লাগিব।

নেপোলিয়ন বোনাপাৰ্ট ফ্ৰান্সৰ সম্ৰাট আছিল । তেখেতে কৈছিল মোক এগৰাকী আদৰ্শ মাতৃ দিয়া মই এখন সুন্দৰ উৎকৃষ্ট সমাজ তথা দেশৰ সৃষ্টি কৰিম । তেতিয়াই তেওঁ অনুভৱ কৰিছিল নাৰীসকল কিমান গুৰুত্বপূৰ্ণ অংগ পৰিয়াল সমাজ তথা দেশৰ প্ৰগতিৰ পথৰ অৰিহনা যোগোৱাত। নাৰীসকলে আগতে নিজৰ শক্তিৰ সৈতে পৰিচিত হওক বিচাৰি বুদ্ধিৰে সু-পথেৰে অবিৰত ভাবে যাত্ৰা কৰক একতাৰে পলম হলেও জয় নিশ্চিত--গতিকে ইশ্বৰৰ সৃষ্টিত জীৱ শ্ৰেষ্ঠ হিচাপে নাৰী সকলে সমাজত নিজৰ প্ৰতিচ্ছবি স্পষ্ট জাকতজিলিকা কৰি তুলিবলৈ সংগ্ৰাম কৰিব লাগিব সময়ৰ প্ৰত্যাহ্বান যুগে যুগে আছে অনাদি কাললৈকে থাকিব --






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# জীৱন এনেকৈয়ে

মীনাক্ষী গোস্বামী, যোৰহাট



অৱসৰী জীৱনটো সুখ আৰু শান্তিৰে পাৰ কৰিম বুলিয়েই অৰুন্ধতী বৰুৱা আৰু তেওঁৰ স্বামীয়ে আগতেই ভৱিষ্যতৰ বহু কথাই অতি পৰিকল্পিতভাৱে কৰি লৈছিল।

সৰু চহৰখনৰ এটি নিৰিবিলি বসতিপূৰ্ণ এলেকাত বৰুৱাই চাকৰি কালতেই অলপ মাটি কিনি লৈ আটোম-টোকাৰিকৈ ঘৰ এটা সাজিছিল। সন্মুখৰ ফুলনি বাগিচা আৰু কাষতে থকা শাকনি বাৰীখনৰে বৰুৱাৰ ঘৰখন বাটৰুৱাৰ চকুত লগা ।

দুয়োৰে অৱসৰ লোৱাৰ আগতেই ল’ৰা-ছোৱালীৰ পঢ়া-শুনা, চাকৰি-বাকৰি আৰু বিয়া-বাৰু সকলো সম্পন্ন হৈছিল। সেয়েহে অৱসৰী জীৱনত বয়সে কেতিয়াবা উপহাৰ দিয়া সৰু-সুৰা অসুখ-বিসুখৰ বাহিৰে আন কোনো বিশেষ দায়-দায়িত্ব নাই বুলিয়েই ক’ব পাৰি।

দুয়োৰে হাতত এতিয়া অফুৰন্ত সময়। পুৱাই উঠি দুয়োজনেই অলপ খোজ কাঢ়ে, তাৰ পাছত দৈনন্দিন কামকাজ শেষ কৰি দুয়োৰে পুৱাৰ বাতৰি কাকত কেইখন অতি মনোযোগেৰে পঢ়ে। বৰুৱাৰ বন্ধুবৰ্গ, মেল-মিটিং বা ফুৰা-চকা সকলো সীমিত। অল্পভাষী বৰুৱাৰ বাবে পুৱা আৰু গধুলিৰ চাহৰ টেবুলখনেই যেন সমাজনীতি, ৰাজনীতি আৰু অৰ্থনীতিৰ গভীৰ বিষয়বোৰ আলোচনা কৰাৰ উপযুক্ত সময়।

অৰুন্ধতী বৰুৱাৰ দৰে ধৈৰ্যশীলা আৰু মনোযোগী শ্ৰোতা পালে বৰুৱাই সময়ৰ কথাও পাহৰি যায়। অৰুন্ধতীয়ে বৰ মনোযোগেৰে তেওঁৰ কথা শুনি থাকে-যদিও এই বিষয়বোৰত তেওঁৰ বিশেষ আগ্ৰহ নাই। তথাপিও স্বামীৰ ৰুচিবোধক সন্মান জনাই তেওঁ সেইবোৰ কথা ঘণ্টাৰ পিছত ঘণ্টা ধৈৰ্যৰে শুনি যায়।

সৰুৰে পৰাই অৰুন্ধতীয়ে আনৰ ভাললগা-বেয়ালগা কথাবোৰক বৰ গুৰুত্ব দি আহিছিল। হয়তো এয়া তেওঁৰ স্বভাৱতেই গঢ় লৈছিল। কেতিয়াবা ভাবিছিল-এই আচাৰ-ব্যৱহাৰবোৰ তেওঁক কোনোবাই শিকাইছিল নে জীৱনৰ পৰিস্থিতিয়ে নিজে নিজেই শিকাইছিল? উত্তৰ তেওঁ কেতিয়াও বিচাৰি নাপাইছিল। তেওঁ কেৱল জানিছিল-জীৱনত নিজৰ ভাললগা- বেয়া লগা বোৰক কিছু কিছু মুহূৰ্তত মোকাবিলা কৰিবলৈও শিকিব লাগে।

বহুতে হয়তো এই স্বভাৱক তেওঁৰ দুৰ্বলতা বুলি ভাবি সুবিধাও ল’লে। কিন্তু সেই কথা লৈ তেওঁৰ কোনো আক্ষেপ নাছিল। পৰিস্থিতিৰ সৈতে খাপ খুৱাই চলাত অভ্যস্ত অৰুন্ধতীয়ে গমেই নাপালে জীৱনত কেতিয়ানো ভৰ দুপৰৰ তেজাল বেলিয়ে আহি পশ্চিমৰ আকাশত লহিয়ালেহি। অৱসৰী দিনবোৰত দুপৰীয়াৰ ভাত সাঁজৰ পাছত বিচনাত অলপ বাগৰ মৰাতো

তেওঁৰ নিয়ম হৈ পৰিছে। জীৱনৰ ধামখুমীয়াত তিনিকুৰি বছৰ পাৰ কৰাৰ অন্ততহে এই সময়খিনি তেওঁ একান্তই নিজৰ ববীয়াকে অনুভৱ কৰিবলৈ পাইছে। খোলা খিৰিকীৰে তেওঁ নীলা আকাশখনলৈ চায়- কিমান বছৰ যে পাৰ হৈ গ’ল এই আকাশখনৰ সৈতে একাত্ম নোহোৱাকৈ!

দুপৰীয়াৰ নিস্তব্ধতাক ভাঙি দূৰৈৰ পৰা ভাঁহি অহা কৃষ্ণপক্ষীৰ মাতত তেওঁৰ অন্তৰত এক মিঠা অনুভূতি জাগি উঠে। সেই নীলা আকাশত উৰি ফুৰা ক’লা-বগা ডাৱৰৰ মাজত তেওঁ কেতিয়াবা নিজৰ মনৰ ছবি আঁকে-যেন বহুদিনৰ পৰা অৱহেলিত সপোনবোৰ আকৌ নীৰৱে ডেউকা মেলিছে।

এই নিস্তব্ধ দুপৰীয়াবোৰতেই বহু পুৰণি স্মৃতি তেওঁৰ মনত উজলি উঠে। পাঁচজনীয়া পৰিয়ালটোত অৰুন্ধতী আছিল দ্বিতীয় কন্যা। ডাঙৰ বায়েক অৰুনিমা, তাৰ পাছত তেওঁ, আৰু সৰু ভায়েক অনিমেষ। ঘৰৰ ডাঙৰ সন্তান অৰুনিমাৰ সকলো ক্ষেত্ৰতেই গুৰুত্ব আছিল বেছি, নুমলীয়া ভায়েক অনিমেষো সকলোৰে নয়নৰ মনি। এনেকুৱা সময়বোৰতেই সৰু বৰ বহু স্মৃতিয়েই দোলা দি যায় অৰুন্ধতীৰ মনত। সৰু থাকোতেই অৰুন্ধতীয়ে লক্ষ্য কৰিছিল-বায়েক আৰু ভায়েকৰ জন্মদিন বোৰ মাক দেউতাকে সৰুকৈ হ’লেও লগৰ ল’ৰা-ছোৱালী কেইটামান গোটাই উদযাপন কৰিছিল। সেই বিশেষ দিনকেইটালৈ বৰ আগ্ৰহেৰে বাট চাইছিল অৰুন্ধতীয়েও হতে। হয়তো মনৰ নিৰ্ভীত কোনত এটা ক্ষীণ আশা অৰ্দ্ধন্ধতীয়েও পুহি ৰাখিছিল কোনো বছৰত তেওঁৰ জন্মদিনটোও উদযাপন কৰা হ’ব।

মাক-দেউতাকে অৰ্দ্ধন্ধতীয়েৰ জন্মদিনটো মনত ঠিকেই পেলাইছিল কিন্তু একো বিশেষ উদযাপনহে কৰা হোৱা নাছিল। কাৰণ বায়েক আৰু তেওঁৰ জন্মৰ মাহটো একে আছিল। একে মাহতে দুটা অনুষ্ঠান কৰাৰ সামৰ্থ্য সেই মধ্যবিত্ত পৰিয়ালটোৰ নাছিল। সৰুতেই মাকে অৰ্দ্ধন্ধতীক এই কথা বুজাই দিছিল-আৰু কনমানি অৰুন্ধতীয়ে সেই কথা নিঃশব্দে মানি লৈছিল।

বিহু-পূজাত নতুন কাপোৰ আহিলেও বায়েক আৰু ভায়েকৰ দাবী পূৰণ হোৱাৰ পাছত অৰুন্ধতী আৰু মাকৰ বাবে সৰু কিবা এটাহে থাকি যায়। অৰুন্ধতীৰো মন গৈছিল নতুন ধৰণৰ ফ্ৰক এটা পিন্ধিবলৈ, কিন্তু সীমিত আয়ৰ দেউতাকৰ অসুবিধা তেওঁ ভালকৈ বুজিছিল।

মাকে শিকাইছিল-অভাৱক লৈ অভিযোগ নকৰি সাহসেৰে আগবাঢ়ি যোৱাই প্ৰকৃত জীৱন। সেই শিক্ষা বুকুত লৈ অৰুন্ধতী আগবাঢ়ি গৈছিল।

মেট্ৰিক পাছ কৰাৰ পাছত বিজ্ঞান শাখাত নামী কলেজ এখনত পঢ়িবৰ তেওঁৰ বৰ ইচ্ছা আছিল। কিন্তু বায়েক ইতিমধ্যে বিশ্ববিদ্যালয়ত পঢ়ি আছিল, ভায়েকৰো ভৱিষ্যৎ আগত আছিল। দেউতাকৰ অসহায় অৱস্থা অনুভৱ কৰি অৰুন্ধতীয়ে নিজৰ বিদ্যালয় খনতেই কলা শাখাত নাম লগালে।

এনেদৰে পোৱা-নোপোৱাৰ মাজেৰে জীৱন আগবাঢ়ি গৈছিল। মাকে কৈছিল- “সময়ত সকলো ঠিক হ’ব।” সঁচাকৈয়ে সময়ে বহু কথা সলাই পেলালে। আজি অৰুন্ধতী হতৰ প্ৰত্যেক টো ল’ৰা ছোৱালীয়ে সমাজৰ একোজন একোজন সুপ্ৰতিষ্ঠিত ব্যক্তি। প্ৰত্যেকৰে একোখন সুন্দৰ সংসাৰ। ইয়াত নোপোৱাৰ বেদনাৰ কোনো স্থান নাই।

সুৰুচিসম্পন্ন, নম্ৰ স্বভাৱৰ বাবে অৰুন্ধতী সকলোৰে প্ৰিয়। বহু বছৰ ধৰি বহু মানুহৰ মুখে মুখে অৰ্দ্ধন্ধতীয়ে শুনি আহিছে-“অৰুন্ধতী বৰ নম্ৰ গুনি গঞ্জয়ানী মহিলা।” কিন্তু এই প্ৰশংসাবোৰে তেওঁৰ অন্তৰত কোনো বিশেষ আলোড়ন তোলে নে নতুবা গৌৰৱ জগায়-সেয়া তেওঁ নিজেও বুজি নাপায়।

অৱসৰী দিনবোৰৰ নীৰৱ দুপৰীয়াবোৰে তেওঁক কেতিয়াবা লৈ যায় তাহানিৰ সেই দুকোঠলীয়া ঘৰখনলৈ-য’ত অভাৱ থাকিলেও মৰম আৰু নিৰাপত্তাৰ অভাৱ নাছিল।

তথাপিও কেতিয়াবা তেওঁৰ অন্তৰৰ গভীৰ কোণত অজানিতে এটি ক্ষীণ অপ্ৰাপ্তিৰ বেদনাই দোলা দিয়ে। বহুতেই কথাই কথাই অৰুন্ধতীক কয় পঢ়া-শুনাত ইমান ভাল আছিলা তুমি। আচলতে বহু উচ্চ পদত থাকিব লাগিছিল ইমান দিনে। অৰুন্ধতীয়ে মাত্ৰ মৃদু হাঁহি মাৰিছিল। হয়তো হ’ব লাগিছিল.. মনো আছিল... কিন্তু নহ’ল আৰু।

জীৱনৰ সেই সন্ধিক্ষণতো তেওঁ পৰিস্থিতিৰ লগতেই মোকাবিলা কৰিছিল ইমান দিনে। কেতিয়াবা কোমল টোপনিৰ মাজত তেওঁ হেৰাই যায় বহু পুৰণি স্মৃতিত। এবাৰ তেওঁৰ জীৱনলৈ অহা এটি সম্পৰ্ক-যাক তেওঁ নিজেই শেষ কৰিছিল। কাৰণ মাক-দেউতাকে ভাল নোপোৱা সেই সম্পৰ্ক ধৰি ৰাখিবলৈ তেওঁ অপাৰগ আছিল। তাৰ পাছত তেওঁ কেতিয়াও সোধা নাছিল-সেই মানুহজন ক’তনো হেৰাই গ’ল।

এবুকু সপোন আৰু এবুকু হেঁপাহ কলিতেই নিঃশব্দে সমাধি দি অৰুন্ধতী বৰুৱাই গঢ়ি তুলিলে এখন সুন্দৰ সংসাৰ। বহু মানুহৰ জীৱনৰ সপোন য’ত অপূৰ্ণ হৈ ৰৈ যায়, তাতেই তেওঁ নিজৰ সুখ- দুখ, আশা-হেঁপাহবোৰ নিঃশব্দে আঁতৰাই থৈ আনৰ সুখৰ বাবে পথ সাজি দিলে।

সমাজৰ চকুত তেওঁ এগৰাকী সফল গৃহিনী, এগৰাকী দায়িত্বশীল মাতৃ, আৰু সকলোৰে সন্মান লাভ কৰা এগৰাকী নাৰী। কিন্তু জীৱনৰ সন্ধিয়া বেলাত, নীৰৱ দুপৰীয়াৰ সেই নীল আকাশৰ তলত বহি থাকোঁতে কেতিয়াবা তেওঁৰ মনত এটি ক্ষীণ অনুভূতি নিঃশব্দে উজলি উঠে।

হয়তো এয়া কোনো ডাঙৰ আক্ষেপ নহয়...

হয়তো এয়া কেৱল জীৱনৰ অলপ অকথিত কাহিনীহে..

খোলা খিৰিকীৰে ভাঁহি অহা মৃদু বতাহে চুলিৰ আগফালটো অলপ লৰাই দিয়ে। দূৰ আকাশত উৰি যোৱা ডাৱৰৰ মাজত তেওঁ যেন নিজৰ যৌৱনৰ সপোনবোৰক আকৌ এবাৰ চিনি পায়। সেইবোৰ সপোন-যাক তেওঁ কোনোদিন কাকো উচ্চস্বৰে কোৱা নাছিল, কাৰো আগত দাবীও কৰা নাছিল। কেতিয়াবা তেওঁ ভাবে-যদি জীৱনৰ কোনো এটা পাক চক্ৰত তেওঁ অলপ নিজৰ মনৰ কথাও শুনিলেহেঁতেন? কিন্তু সেই ভাবনাটোৱো বেছি সময় নাথাকে। কাৰণ তেওঁ জানে-জীৱন মানেই হয়তো অকল সপোন পূৰণ হোৱাই নহয়। কেতিয়াবা নিজৰ সপোনবোৰক নীৰৱে বিদায় দি আনৰ সুখত হাঁহি থাকিব পৰা এক গভীৰ শক্তি। অৰুন্ধতীয়ে ধীৰে ধীৰে চকু মুদি দিয়ে। দূৰৈত কৃষ্ণপক্ষীৰ আকুল মাতটো আকৌ এবাৰ শুনা যায়।

আকাশত ডাৱৰবোৰ ভাঁহি থাকে- ঠিক তেওঁৰ জীৱনৰ নীৰৱ স্মৃতিবোৰৰ দৰেই।

সেই মুহূৰ্তত তেওঁ অনুভৱ কৰে-

সুখ আৰু অপ্ৰাপ্তি দুয়োটাই মিলিয়েই বোধহয় জীৱন নামৰ এই দীঘল যাত্ৰাটো পূৰ্ণ হয়। আৰু সেই নীৰৱ উপলব্ধিৰ মাজতেই অৰুন্ধতী বৰুৱাৰ চকুৰ কোণত এটি অতি সূক্ষ্ম, উষ্ণ পানীৰ টোপাল চিকমিকাই উঠে-যাৰ অৰ্থ হয়তো তেওঁ নিজেও সম্পূৰ্ণকৈ বুজি নাপায়... কিন্তু সেই টোপালটোৱেই যেন তেওঁৰ সমগ্ৰ জীৱনৰ নিঃশব্দ কাহিনী।

# চাইবাৰ অপৰাধ আৰু সতৰ্কতা



**ভাস্কৰ প্ৰিয়ম হাজৰিকা, কৰচুং সত্ৰ, নগাঁও**

একবিংশ শতিকাক তথ্য-প্ৰযুক্তিৰ যুগ বুলি কোৱা হয়। ইণ্টাৰনেট, অনলাইন বেংকিং, ডিজিটেল লেনদেন, সামাজিক মাধ্যম আদিৰ ব্যৱহাৰে মানুহৰ জীৱনশৈলী সম্পূৰ্ণৰূপে সলনি কৰিছে। কিন্তু প্ৰযুক্তিৰ এই দ্ৰুত বিকাশৰ লগে লগে চাইবাৰ অপৰাধো বৃদ্ধি পাইছে। চাইবাৰ অপৰাধ মানে হৈছে কম্পিউটাৰ, মোবাইল, ইণ্টাৰনেট আদি ডিজিটেল মাধ্যম ব্যৱহাৰ কৰি কৰা অবৈধ বা অপৰাধমূলক কাৰ্যকলাপ। ছাইবাৰ অপৰাধীয়ে আপোনাৰ মোবাইল ফোন, কম্পিউটাৰ বা তেনেধৰণৰ অন্য নেটৱৰ্কিং ডিভাইচসমূহ পোনপটীয়াকৈ লক্ষ্য কৰি গুৰুত্বপূৰ্ণ তথ্য আহৰণ কৰে বা আপোনাৰ একাউণ্ট হেক কৰে।

আজিকালি অনলাইন বেংকিং ঠগ, ফেচবুক বা ইনষ্টাগ্ৰাম একাউণ্ট হেকিং, ভুৱা লটাৰী বা চাকৰিৰ প্ৰলোভন, অশ্লীল ছবি/ভিডিঅ' প্ৰচাৰ, চাইবাৰ বুলিং আদি বিভিন্ন ধৰণৰ চাইবাৰ অপৰাধ বৃদ্ধি পাইছে। বহু সময়ত অসচেতনতা আৰু অজ্ঞতাৰ বাবে সাধাৰণ মানুহ এইবোৰৰ চিকাৰ হয়। বিশেষকৈ ছাত্ৰ-ছাত্ৰী আৰু নৱপ্ৰজন্ম সামাজিক মাধ্যমত অধিক সময় কটোৱাৰ বাবে সহজে প্ৰভাৱিত হয়। ছাইবাৰ অপৰাধৰ বিভিন্ন প্ৰকাৰ আছে তাৰে ভিতৰত সাধাৰণ প্ৰকাৰসমূহ হ'ল- ছাইবাৰ ফিছিং, ছাইবাৰ হেকিং, ছাইবাৰ ষ্টকিং, পৰিচয় চুৰি, আদি।

এইবোৰ অপৰাধে ব্যক্তিগত, সামাজিক আৰু ৰাষ্ট্ৰীয় স্তৰত গভীৰ প্ৰভাৱ পেলায়। চাইবাৰ অপৰাধ বৃদ্ধিৰ কিছুমান মুখ্য কাৰণ হ'ল-

ডিজিটেল জ্ঞানৰ অভাৱ।

অসচেতনতা আৰু অসতৰ্কতা।

সহজে অধিক লাভ কৰাৰ লোভ।

আইন প্ৰয়োগৰ সীমাবদ্ধতা।

কিশোৰ-কিশোৰীৰ অনিয়ন্ত্ৰিত ইণ্টাৰনেট ব্যৱহাৰ।


চাইবাৰ অপৰাধে কেৱল আৰ্থিক ক্ষতি নকৰে, মানসিক আঘাতো প্ৰদান কৰে। ব্যক্তিগত তথ্য ফাদিল হ'লে সমাজত মান-সন্মান নষ্ট হোৱাৰ আশংকা থাকে। ইয়াৰ উপৰি ভুৱা খবৰ (Fake News)প্ৰচাৰে সমাজত অস্থিৰতা সৃষ্টি কৰিব পাৰে। সেয়েহে চাইবাৰ সুৰক্ষা আজিৰ সময়ৰ এক গুৰুত্বপূৰ্ণ বিষয়।

এই সমস্যাৰ পৰা হাত সাৰিবলৈ কিছুমান সতৰ্কতা অৱলম্বন কৰাটো অতি প্ৰয়োজন। প্ৰথমতে, নিজৰ Password শক্তিশালী আৰু গোপনীয় কৰি ৰাখিব লাগে। OTP, ATM PIN আদি কেতিয়াও আনক জনোৱা উচিত নহয়। অচিনাক্ত লিংক বা ই-মেইল ক্লিক কৰাৰ আগতে ভালদৰে পৰীক্ষা কৰিব লাগে। সামাজিক মাধ্যমত ব্যক্তিগত তথ্য সীমিতভাৱে শ্বেয়াৰ কৰা উচিত। সন্দেহজনক ঘটনা দেখা দিলে লগে লগে চাইবাৰ আৰক্ষীৰ কাষ চাপিব লাগে। অচিনাকী উৎসৰ পৰা লিংক বা সংলগ্নসমূহ খুলিব নালাগে। কোনো মাধ্যমৰ পৰা যিকোনো মবাইল এপ ডাউনলোড আৰু ইনষ্টল কৰোতে প্ৰদান কৰিবলগীয়া অনুমতিসমূহ দিওতে অত্যন্ত সাৱধান হ'ব লাগে।

চৰকাৰেও চাইবাৰ অপৰাধ ৰোধৰ বাবে বিভিন্ন আইন আৰু ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু কেৱল আইনেই যথেষ্ট নহয় জনসচেতনতাই হৈছে মুখ্য উপায়। বিদ্যালয় আৰু মহাবিদ্যালয়ত চাইবাৰ সুৰক্ষা বিষয়ে শিক্ষা প্ৰদান কৰাটো বৰ্তমান সময়ত অতি দৰকাৰী হৈ পৰিছে।

সামগ্ৰিকভাৱে ক'বলৈ গ'লে, ডিজিটেল জগতখন যিমান সহজ যদিও সতৰ্ক হোৱাটো অতিকৈ প্ৰয়োজনীয়। সচেতনতা, সঠিক জ্ঞান আৰু দায়িত্বশীল ব্যৱহাৰৰ মাধ্যমেই আমি চাইবাৰ অপৰাধ ৰোধ কৰিব পাৰোঁ। প্ৰযুক্তি এখন দুমুখীয়া অস্ত্ৰ। সঠিক ব্যৱহাৰে উন্নতি আনে, অপব্যৱহাৰে বিপদ সৃষ্টি কৰে। সেয়েহে সচেতনতা আৰু দায়িত্ববোধেই চাইবাৰ সুৰক্ষাৰ মূল চাবিকাঠি।


# প্ৰেমৰ অন্য এক নাম তুমি



**যমুনা দুলু বৈশ্য, শুৱালকুছি**

সুখৰ সংজ্ঞা বিচাৰি চলাথ নকৰিবা
মনৰ অনুভৱেৰে আঁজুৰি আনিবলৈ
অলপ সময়ৰ অপেক্ষা কৰা
হৃদয় খনতেই পাবা সেউজ সপোন ।
জোনাক বিচাৰি কলেও নাযাবা তুমি
প্ৰতিশ্ৰুতিৰে নিদিবা আশা
সময় বৰ গতিশীল সঁচা মানৱতাতে পায়
মধুৰতাৰে গোন্ধৰে হেঁপাহৰ খৰিকাজাঁই ।
মুক্ত পখীৰ হৈ উৰিবলৈ
জীৱনৰ ঠিকনা বিচাৰি নহবা হতাশ
অতীতক পাহৰি নাযাওঁ বাবেই
প্ৰতিটো আবেলিক বান্ধিছো আঁচলৰ ঠিকনা ।
প্ৰেমৰ অন্য এক নাম তুমি
তৰাফুলৰ উজ্জ্বল জ্যোৎস্নাময়ী
ৰুণুজুন বাজে সন্ধ্যাৰাগত ন-ৰূপ
দিবলৈ ভাষা নাই উপলব্ধি প্ৰত্যুত্তৰ ।
বৰ্তমানৰ তুলনাত সাৰ্থকতাৰ
গভীৰ, অবুজ ভাৱনাৰ সাথৰ বোৰৰ
সুদীৰ্ঘ দিগন্তৰ সন্ধানৰ আৰ্হিতে
কিছু জ্ঞান, পোৱা নোপোৱাৰ অভিজ্ঞতা ।

# নিঃসঙ্গতাৰ প্ৰশস্ত কোলাত



**নীলমণি গগৈ**

নিঃসঙ্গতাৰ
প্ৰশস্ত কোলাত
নিঃসঙ্গতাই তেওঁৰ সঙ্গী
নিঃসঙ্গতাত সঙ্গী হয়
কাষৰ কিম্বা দূৰণিৰ
নীৰৱতাৰ বুকুত
গহীন কাননখনি
যদি হয় বিনিদ্ৰ ৰজনী,
বাটৰ কাযত থকা
তেওঁৰ গাও খনি
সকলোবোৰৰ মাজত
তেওঁ থাকিও নিঃসঙ্গ
নিঃসঙ্গতাই সঙ্গী
তাতে কোৰ্হাল প্ৰিয়
পখীৰ ছন্দহীন চিঞৰ,
নিশাচৰ অঘৰী পখীৰ
তেওঁ মাথো নিঃসঙ্গ হৈ
নীৰৱতাৰ প্ৰশস্ত কোলাত
আওৱাই নিঃশব্দে
নিৰলে নীৰৱে
নিঃসঙ্গতা গীতৰ কলি
আশাইও পোখা মেলি
যায় আগবাঢ়ি
প্ৰভাতী ৰজনীৰ বুকুত
কিৰণৰ আলেখ লেখ
তমসা বিদূৰি অহাৰ সম্ভেদ
প্ৰভাতী পখীৰ সুৰধ্বনি
ছন্দোময় প্ৰভাতৰ
হয় আগমনী
হ'লেও নিঃসঙ্গতাই
তেওঁৰ হয় সঙ্গী,
নিঃসঙ্গৰ নিঃসঙ্গতাৰো
নিজা সুৰ আছে
নিঃসঙ্গতাত নিঃশব্দে
নিৰলে উঠে বাজি।